ফালে চালে। এজাক কাউৰী কৃষ্ণ-চূড়জোপাত পৰি কোঢ়াল কৰি আছে। মাজে মাজে তিনি চাৰিজনী কাউৰী একেলগে অলপ দূৰ উৰি গৈ আকৌ কৃষ্ণচূড়া-জোপাত পৰে, মাজে মাজে ফাগুনমহীয়া বতাহজাকত নিজকে এৰি দি বহুদূৰলৈ গুচি যায় পাখি নমৰাকৈ। আকৌ উভতি আহে।

"এই কাউৰীবোৰে যদি" দুৰবাই আৰম্ভ কৰিলে— "ময়ূৰৰ পাখিৰে নিজক সাজি-কাছি পেখম ধৰিবলৈ চেষ্টা কৰে তেনেহলে কেনেকুৱা লাগিব বাৰু? বৰ আচহুৱা যেন নেদেখিব নে? সিহঁতে ময়ূৰৰ সমাজতো স্থান নেপাব আৰু নিজৰ সমাজতো অপমানিত নহবনে? অৱস্থাটো বৰ পুতৌ লগা হব। তথাপি যদি সিহঁতে তাকেই কৰে তেনেহলে সিহঁতে নিজৰ অস্তিত্বকে হেৰুৱাই পেলাব। তাকে নকৰি সিহঁতে যদি ময়ূৰৰ সংযম গ্ৰহণ কৰে তেনেহলে জাতিটোৰ অলপ উন্নতি নহবনে?"

বৰুৱাই এই একেধৰণৰ কথাবোৰ শুনি শুনি বৰ বিৰক্ত হৈ পৰিল আৰু এটা সময়ত তাৰ পৰা উঠি গ'ল। দুৰবাই এইবাৰ এটা শব্দও উচ্চাৰণ নকৰিলে। মাথোন লাহে লাহে পাহাৰৰ সৰু অকোৱা-পকোৱা বাটটোৰে তললৈ নামি যোৱা বৰুৱাৰ ফালে চাই থাকিল। দুৰবাই এইবাৰ নৈখনৰ ফালে চালে। কেই জনীমান কাউৰী নৈৰ আঁনটো পাৰৰপৰা লাহে লাহে উৰি আহিছে। দিনটোৰ পৰিশ্ৰান্ত দেহটো লৈ সিহঁত উভতি আহিছে। পুৱাই হয়তো এই কাউৰীজাকে মানুহৰ পৰা আতৰি থকাৰ মানসেৰে বহুদূৰলৈ উৰি গৈছিল মানুহ নথকা ঠাই বিচাৰি। সিহঁতেও হয়তো এতিয়া সেই কৃষ্ণচূড়াজোপাত অলপ জিৰণি লব।

কৃষ্ণচূড়াজোপাত কাউৰীকেইজনীৰ বাহিৰেও আৰু কেইবাটাও সৰু ডাঙৰ চৰাই আহি বহিছে। দুৰবাই মিচিকিয়াই হাঁহিলে "ইমান সহজ, ইমান সৰল ইহঁতৰ জীৱন। ইহঁতে ঘৃণা কৰিব নেজানে, প্ৰবঞ্চনা কৰিব নেজানে। ইহতে মাথোন জানে কৰ্ম্মৰ মাজেৰে সহজ সৰল ভাৱে জীৱন কটাবলৈ। তথাপি সিহঁত মানুহতকৈ শ্ৰেষ্ঠ নহয় কিয়? মানুহৰ সমাজখন জানো ইমান নিৰ্ভেজাল? মানুহে মানুহক জানো ইমান সহজ ভাবে লব পাৰে। ইহঁতৰ মাজতো বৰ্ণবৈষম্য নাই, জাতিভেদ নাই, উচ্চ নীচ নাই। থকাহলে সিহঁতে একেজোপা গছতে একেলগে ইমান ওচৰা-ওচৰিকৈ নবহিল-হেঁতেন।" এক পৰম তৃপ্তিৰ হাঁহি দুৰবাৰ ওঁঠেৰে বাগৰি গ'ল। লাহে লাহে দুৰবাৰ চকু পাহাৰৰ অকোৱা পকোৱা বাটটোৰে তললৈ নামি আহিল। সন্ধিয়াৰ এন্ধাৰে পাহাৰৰ টিলাবোৰ ঢাকি পেলাইছে। পাহাৰৰ নামনিত কেতিয়াবাই সন্ধিয়া হ'ল।

ইয়াৰ কেইদিনমান পিচত এটা খুব সৰু ঘটনা ঘটিল। যিটো ঘটনাই দুৰবা মানুহজনক নতুনকৈ বিশ্লেষণ কৰি চাবলৈ বৰুৱাক বাধ্য কৰিলে।

বৰুৱাই বাৰান্দাৰ চকীখনত বহি দেখিলে যে দুৰবাই আমজোপাৰ তলত কিবা এটা বিচাৰি ফুৰিছে। সন্ধিয়া নৌ হয় এথোন। অলপ পিচতে বগা বস্তু এটা হাতত লৈ দুৰবাই লিৰিকি-- বিদাৰি চাবলৈ ধৰিলে। খুব সন্তৰ্পণে 'বোধহয় কিবা দৰ্কাৰী কথা লিখি অন্য মনস্ক ভাৱে পেলাই দিয়া কাগজৰ নুৰা এটা।'

"বৰুৱা"—হঠাৎ দুৰবাৰ চিঞৰ শুনি বৰুৱা চক্‌খাই উঠিল।

"এইটো কি চাওকহি"—বৰুৱা লাহে লাহে কৌতূহল দমাব নোৱাৰি, দুৰবাৰ কাষলৈ উঠি গল। এটা বগা সৰু কণীৰ খোলা।'

"কাউৰীৰ কণী নহয়নে?" বৰুৱাই ভিতৰৰ বিজলুৱা বস্তবোৰ শুকাই যোৱা কণীৰ খোলাটো হাতত লৈ কলে।

"এৰা! কাউৰীৰ কণী। মন কৰিছেনে বৰুৱা এই কণীটোৰ পৰা এতিয়াও পোৱালী হোৱা নাই। পোৱালীহোৱা কণী এনেদৰে নেভাঙে। আৰু পোৱালী হোৱা হলে সিহঁতৰ মাত শুনিলোহেঁতেন। কিন্তু পোৱালী নহওতেই সিহঁতে এই কণীবোৰ কিয় পেলাই দিয়ে? কিয় সিহঁতৰ মনৰ আশাক, মৰমৰ স্বীকৃতিক এনেদৰে নিঃশেষ কৰি দিলে? কিয়?"

বৰুৱাই মন কৰিলে যে পাহাৰৰ সৰু সৰু টিলাবোৰত খুন্দা খাই চাৰিওফালে যেন এই প্ৰশ্নই প্ৰতিধ্বনিত হৈছে। দুৰবা হঠাৎ ইমান উত্তেজিত হৈ উঠাৰ কাৰণ কি? দুৰবাৰ চকুৰ ফালে চাই বৰুৱাই দেখিলে প্ৰবল উত্তে-জনাৰে দুৰবাই এক প্ৰশ্নবোধক দৃষ্টিৰে বৰুৱাৰ ফালে চাই আছে।

"এইটোনো ইমান ভাবিবলগীয়া কথানে ? বোধহয় কণীবোৰ নষ্ট হৈ গ'ল। নহলে কোনো এক অসতৰ্ক মুহূৰ্ত্তত এই কণীবোৰ সিহঁতে কৰ নোৱাৰাকৈ মাটিত পৰি গ'ল।"

বকুৱাৰ কথাত দুৰবাই হো হোৱাই হাঁহি দিলে। হাঁহি মাথোন হাঁহি। এই হাঁহিৰ যেন শেষ নহব। "নহয় বকুৱা। আপুনি বৰ নিৰ্ব্বোধ হৈ আছে। এয়া কুলিৰ কাম। আপোনালোকৰ অতি মৰমৰ কুলি চৰাই।" দুৰবাই কৈ গ'ল "যাৰ থাকিবলৈ নিজাকৈ এটা বাঁহ নাই, পোৱালীক ডাঙৰ দীঘল কৰাৰ যাৰ সামৰ্থ্য নাই; অইনৰ সুখৰ সংসাৰ ভাঙি নিজৰ পোৱালীক ডাঙৰ-দীঘল কৰাই যাৰ উদ্দেশ্য–সেই কুলি চৰাই।" দুৰবা অলপ ৰ'ল। বোধহয় ভাগৰি পৰিছে—"এতিয়া সেই দুষ্ট কুলিয়ে কাউৰীৰ বাঁহত নিজৰ কণী পাৰি থৈ যাব। সহজ সৰল কাউৰীহালে কৰ নোৱাৰাকৈয়ে কুলিৰ কণীক উমণি দিব, পোৱালীক ডাঙৰ দীঘল কৰি তুলিব। আৰু ডাঙৰ হোৱাৰ লগে লগে, উৰিব পৰা হোৱাৰ লগে লগে, পোৱালীবোৰ উৰি গুচি যাব। আৰু এই দুৰ্ভগীয়া কাউৰীহালে সকলো বুজি উঠাৰ পিচতো নীৰৱে সহ্য কৰি থাকিব। প্ৰতিশোধ, হিংসা কি সিহঁতে নেজানে। গতিকেই এই অত্যাচাৰ নীৰৱে সহ্য কৰি যোৱাৰ বাহিৰে সিহঁতৰ আন উপায় নাই।" দুৰবাই বহুত সময় নিজকে নিজে কোৱাৰ দৰে কথাবোৰ কলে। এইবাৰ যেন দুৰবা সচাঁকৈ ভাগৰি পৰিল। তেওঁ গছডালৰ তলতে বহি পৰিল। বহুদূৰত থকা নৈ খনত দৃষ্টি নিবদ্ধ হৈ গ'ল দুৰবাৰ। কিছুসময় নীৰৱে পাৰ হৈ গ'ল।

"দুখ লাগে, বকুৱা। কুলিৰ এই অপকৰ্ম্মৰ বাবে কুলিকতো ঘিণ কৰা হোৱা নাই। সিহঁতৰ সেই একমাত্ৰ মিঠা মাতটোৰে সকলোকে এনেদৰে মুগ্ধ কৰিছে, এনেদৰে ভুলাইছে যে সিহঁতৰ সকলো দোষ মানুহে পাহৰি যায়। সকলো সিহঁতৰ ভক্ত। কুলিক লৈ কবিতা লিখে, গান গায়। আৰু সেই দুৰ্ভগীয়া কাউৰী! মানুহৰ মনত সিহঁতৰ প্ৰতি কোনে ঘৃণাৰ ভাব জগাই তুলিলে তাক বিচাৰ কৰাৰ চেষ্টা হোৱা নাই। সিহঁত ঘৃণিত হৈয়েই থাকি গ'ল।"

"বুজিছে বকুৱা"—দুৰবাৰ মাতটো বৰ করুণ যেন লাগিল "আমি অসমীয়া জাতিটোৰো অৱস্থা এই কাউৰীৰ দৰে পুতৌ লগা নহয়নে? নিজৰ ঘৰত, নিজৰ সংসাৰত আমি নিজক প্ৰতিষ্ঠা কৰিব পাৰিছোনে? নাই পৰা। তথাপি আমিয়েই বদনামৰ পাত্ৰ হব লগীয়া হোৱা নাইনে?"



# গল্প আৰু লিখা নহ'ল

**বসন্ত কুমাৰ বৰ্ম্মন**
৩য় বাৰ্ষিক বিজ্ঞান

মই গল্প লেখক নহয়। তথাপি কিয় জানো আমাৰ কলেজ আলোচনী 'এৰিয়ান'ৰ সম্পাদকে মোক এটা গল্প লিখি দিবলৈ কলে। মই নুবুজিলো। হয়তোবা বন্ধুত্বৰ খাটিৰত, হয়তোবা মোৰ প্ৰতি থকা স্নেহৰ দাবীত; যিহওক "লিখিবলৈ সময় আৰু সুবিধা পাও যদি দি দিম।"—একো নভবা নিচিন্তাকৈ তেওঁক আশ্বাস দি থলো।

: বাঃ কি সুন্দৰ কথা। যেন এজন মস্ত সাহিত্যিকহে। তই হৈছ ধনী মানুহৰ ল'ৰা। তোৰ বিলাসিতাৰ মাজত সাহিত্যই ঠাই নোপোৱাটো একো ডাঙৰ কথা নহয়।—মোৰ কথা শুনি বন্ধু প্ৰদীপে হাঁহি হাঁহি কলে।

প্ৰদীপৰ কথাখিনি শুনি 'বয়েজ কমন ৰুম'ত খেলি থকা আটাই কেইজন ল'ৰাৰ মুখৰ পিনে এবাৰ চালোঁ। মোক নিমাত দেখি বহাৰপৰা উঠি প্ৰদীপ গুচি গ'ল। জীৱনৰ হেজাৰ প্ৰশ্নই মোক জুমুৰি দি ধৰিলে। মূৰটো গৰম গৰম যেন অনুভৱ কৰিলোঁ। এটিৰ পিচত এটিকৈ মোক সকলো সমস্যাই হেঁচি ধৰিলেহি। মোৰ মানসপটত ভাহি উঠিল মা, দেউতা, বিধৱা বাইদেউ, সৰু বাইদেউ, ভাই, ভনী আৰু কণ কণ ভাগিন দুজন।

: খেলিবি নেকি অ' দিগন্ত?—কোনোবা এজনে মোক সুধিলে। কিন্তু মই নিৰুত্তৰ হৈ ওলাই গ'লো। সিদিনা ক্লাচ কৰা নহ'ল। ঘৰলৈ গ'লো।

সন্ধিয়া। সাত মান বাজিছে। ফাগুণ মাহৰ এটি জোনালী নিশা। জোনৰ পোহৰে গোটেইখন আকাশ

নিকা কৰি পেলাইছে। কিন্তু মোৰ মনটো যেন কিবা দুখেৰে ভৰা।

: মাহীদেউ। মই এতিয়া ভাত নেখাওঁ। গাটো খুব বেয়া লাগি আছে। মাহীদেৱে পাকঘৰত থকা বুলি জানি ভাত খোৱাৰ ইচ্ছা থকা সত্বেও কৈ পেলালোঁ আৰু পাকঘৰলৈ সোমাই গ'লো।

: ঔষধ পাতি খাইছা নে নাই ? একো ভয় কৰিব নেলাগে। ইনফ্লুয়েঞ্জা হব পাৰে। ভাত খালেও একো নহয়। নহলে খুব দুৰ্ব্বল হৈ যাবা। —এজন অভিজ্ঞ ডাক্তৰৰ দৰে কৈ গ'ল মাহীদেৱে কথাবোৰ।

মই নিৰুত্তৰ হৈ পাকঘৰৰপৰা মোৰ কোঠাটোলৈ ওলাই গুচি গ'লো। লাইটটো অন কৰি দি বিচনা খনৰ এমূৰে বহি নানা কথা চিন্তা কৰিবলৈ ধৰিলো। কিন্তু মনত এটি মাত্ৰ শব্দই বাৰে বাৰে ভুমুকি মাৰেহি। সেইয়া হ'ল 'মাহীদেউ।' আমাৰ নিজৰ মাহীজনী যদি দীপালি মাহীদেউৰ নিচিনা হ'লহেতেন।

হঠাৎ মোৰ মেজখনৰ ওপৰত চকু পৰিল। এখন চিঠি কিতাপবোৰৰ ওপৰত। নিশ্চয় প্ৰমোদ খুৰাই লিখিছে. প্ৰবল উৎকণ্ঠাৰে চিঠিখন খুলি লৈ পঢ়িবলৈ ধৰিলোঁ !

ডিব্ৰুগড়

মৰমৰ দিগন্ত. ৮।১২।৬৯ ইং

মৰম লবা। এটি বিশেষ কাৰণত তোমালৈ লিখিলোঁ। তুমি মোৰ গাঁৱৰ ল'ৰা। ইমান দিনে তোমাক সাধ্যানুযায়ী সহায় কৰি আহিছোঁ। আজি তোমাক মই এটা সাধাৰণ কথা কওঁ। বেয়া নেপাবা। মাহীদেউৰ ছোৱালী ৰুণুমী লাহে লাহে গাভৰু হৈ আহিল। তুমিও ডেকা হৈ আহিলা। তাই এইবাৰ মেট্ৰিক পৰীক্ষা দিব। তুমি বি, এ পাচ কৰিবা। মহাদেৱে তোমাক কবলৈ লাজ কৰিছে। তেখেতে মোক জনাইছে। বিয়াৰ টকা পইচাৰ কাৰণে একো চিন্তা কৰিব নেলাগে। যিহেতু মহাদেউৰেৰ ঠিকাদাৰ মানুহ। তোমাৰ পৰীক্ষাৰ পিচত তেৱেঁই এটা চাকৰিৰ দিহা কৰাই দিব। বিশেষ নাই।

ইতি—

তোমাৰ খুৰা

শ্ৰীপ্ৰমোদ চন্দ্ৰ চৌধুৰী।

চিঠিখন পঢ়ি উঠি মই ধুৱলী-কুঁৱলি দেখিলোঁ। ঘৃণা আৰু লাজত মোৰ চকু মুখ কোঁচ খাই গ'ল। মাহীদেউ আৰু প্ৰমোদ খুৰাৰ প্ৰতি থকা মোৰ শ্ৰদ্ধা যেন হঠাতে নাইকিয়া হ'ল। কুটিলতাৰে পূৰ্ণ জগতখনৰ প্ৰতি মোৰ বিতৃষ্ণা জন্মিল। মই নিজকে সহজ কৰি লবলৈ চেষ্টা কৰিলোঁ। শেষত তেওঁলোকৰ চক্ৰান্তৰ প্ৰতি মোৰ পুতৌ জন্মিল। কাৰণ ঠিকাদাৰে সকলোকাম লাভ-লোকচানৰ চিন্তা কৰিয়েই কৰে। গতিকে মোৰে৷ তেওঁলোকে ঠিকাৰ সামগ্ৰী হিচাবেই লৈছে। প্ৰমোদ খুৰাই মোৰ সকলো কথা জানিও কিয় বাৰু মোক ঘৰখনৰপৰা আঁতৰাই আনিব খুজিছে। এনেতে ৰুণুমীয়ে মতা শুনিলো।

: দিগন্তদা ভাত হৈছে। আহক।

মই উঠি গ'লো। দেখিলোঁ ৰুণুমীয়ে ড্ৰইং ৰুমত কিবা কিবি কৰি আছে। প্ৰমোদ খুৰাৰ চিঠিখনৰ সত্যাসত্য প্ৰমাণ কৰিবলৈ বুলি ৰুণুমীকে কথাটো অলপ কৌশলেৰে সুধিম বুলি ভাবিলোঁ। বহিবলৈ অনিচ্ছা স্বত্বেও চকী এখন অলপ টানি দি এচলীয়াকৈ বহি মেজত থকা ফিল্‌ম্ ফেয়াৰ এখন লিবিকি-বিদাবি অন্তৰত ঘৃণা আৰু মুখত চেনেহৰ ভাৱ দেখুৱাই অভিনয়ৰ চলেৰে ক'লো।

: ৰুণুমী গাটো খুউব বেয়া। অলপ শুইছিলোঁ। এটা সপোন দেখিলোঁ।

: কি দেখিলে ?

: দেখিলো, মানে—বেয়া নোপোৱাতো ?

: নেপাওঁ। কওক। ৰুণুমীয়ে মই বহি থকা চেয়াৰখনৰ পিচফালে গৈ কলে।

: মানে, সপোনতে আমাৰ বিয়া হোৱা দেখিলোঁ। এতিয়া যদি সঁচাকৈয়ে হৈ যায় ?

: যাওক। আপুনিও কি কথাবোৰ কয়। বাওঁহাতৰ আঙুলিৰ নখ এটা কামুৰি কামুৰি লাজকুৰীয়া ভাৱে ৰুণুমীয়ে ক'লে। ৰুণুমীৰ এই কথাষাৰত লাজ, ভয়, অভিমান সকলোবোৰ মোৰ চকুত ধৰা পৰিল। চৰিত্ৰ অক্ষুন্ন ৰাখিবলৈ দেউতাকে তাইক কলেকো যাবলৈ দিয়া নাছিল।

কিন্তু মোৰ বুজিবলৈ বাকী নেথাকিল যে ৰুণুমী মোৰ কাৰণে সদায় মুকলি। ৰুণুমীয়ে ওলাই গৈ এইবাৰ আকৌ পাকঘৰৰপৰা মোক মাতিলে।

:মই কাইলৈ ঘৰৰ ফালে যাম বুলি ভাবিছোঁ । দুৰ্গাপূজাৰ বন্ধ হব। গতিকে ঘৰৰপৰা এপাক অহাটো ভাল হব নিশ্চয় । বহুদিন ঘৰৰ একো খবৰো পোৱা নাই। —ভাত খোৱাৰ মাজতে মই ক'লো ।

:ও মা। আজিনো তোমাৰ ঘৰখনৰ প্ৰতি ইমান মৰম উপজিলনে ? প্ৰমোদে দেখোন কৈছিল তোমাৰ হেনো ঘৰৰ প্ৰতি কোনো চিন্তাই নাই। অৱশ্যে চিন্তা কৰাৰ কোনো কাৰণো নাই। তোমাৰ ঘৰৰ যিকেইজনহে মানুহ। দেউতাৰা হ'ল এটা মস্ত ঢোদ । মাৰাও দিনটো কোঢ়াল লগাইহে থাকে। সকলোৱে তোমাৰ সৰ্ব্বনাশ কৰিবলৈহে বৈ আছে। বাইদেউৰা দুজনীয়েনো নিজে কিবা এটা ক'ৰি খাব নোৱাৰেনে ? অকণো চিন্তা নকৰিবা তুমি । যেনেকৈ পাৰে তেনেকৈ খক তেওঁলোকে ।

অনপ সুৰ সলাই মাহীদেৱে এইবাৰ মোক সুধিলে—

:ভাত দুটামান দিম নেকি ?

:সিহঁতৰ কথা চিন্তা ক'ৰি কৰি তোমাৰ চেহেৰাটো একেবাৰে নষ্ট কৰি পেলালা । বাদ দিবা সেইবোৰ চিন্তা। নিজে কিবা এটা চাকৰি কৰি আৰামত খাব পাৰিবা ।

মোৰ পৰা কোনো সঁহাৰি নোপোৱা সত্বেও মাহীদেৱে সকলো কৈ গ'ল।

মোৰ আৰু ভাত খোৱা নহ'ল। কিহবাই যেন মোৰ বুকুখন বাৰে বাৰে হেঁচি ধৰেহি। প্ৰমোদ খুৰাৰ চিঠিৰ সত্যতাৰ বিষয়ে প্ৰমাণ পালো। কিন্তু দীপালী মাহীয়ে মোৰ পৰিয়ালৰ মানুহৰ বিষয়ে কুৎসা ৰটনা কৰাটো মোৰ সহ্য নহ'ল।

নিজৰ কোঠাটোত আহি সোমালো। দুৱাৰৰ হুকটো লগাই থাঁঠুৰাখন তৰি লৈ শুই পৰিলোঁ । এজন এজনকৈ মোৰ পৰিয়ালৰ আটাইকেইজন মানুহলৈ মনত পৰিল। অসংখ্য চিন্তাই আহি মোক জুমুৰি দি ধৰিলেহি।

এই গুৱাহাটী মহানগৰীৰপৰা প্ৰায় পঞ্চাশ মাইল দূৰৰ অনিয়াপুৰী গাঁৱত মোৰ ঘৰ । মোৰ দেউতাই প্ৰাইমাৰী স্কুল এখনত শিক্ষকতা কৰিছিল। দেউতা যক্ষ্মাৰোগত আক্ৰান্ত হৈ হাস্পতালত ডেৰ বছৰ কাল চিকিৎসাধীন হৈ আছিল। তেতিয়াৰেপৰা তেওঁ অৱসৰ লয়। এতিয়া সম্পূৰ্ণ আৰোগ্য যদিও কোনো কামকে কৰিব নোৱাৰে। ডাঙৰজনী বাইদেউৰ মোৰ সৰু অৱস্থাতে বিয়া হৈ যায়। কিন্তু নিয়তিৰ নিষ্ঠুৰ পৰিহাসে এদিন বাইদেউৰ কপালৰ ৰঙা সেন্দুৰৰ ফোঁট মচি লৈ গ'ল। ভিনদেউৰ হেনো কোনো এক ট্ৰেইন দুৰ্ঘটনাত মৃত্যু হৈছিল। বগা কাপোৰ পৰিধান কৰি দুটি পোণাৰে সৈতে সজল নয়নে আমাৰ ঘৰ চপাত বাহিৰে বাইদেউৰ আৰু অন্য উপায় নেথাকিল। সৰু বাইদেউ হ'ল পঙ্গু। তাই মানুহ নামৰ অযোগ্য । সৰুকালতে টাইফয়েডত পৰি তাইৰ হাত এখন অকামিলা হৈ যায়। লগতে তাইৰ নাৰী সুলভতা খিনিও সেই বেমাৰতে লুপ্ত হয়। ফলত মানুহে তাইক হীন চকুৰে চায়। আনকি মা দেউতাৰো তাই অনাদৰৰ পাত্ৰী। কিন্তু মই তাইক ভনী বুলি পৰিচয় দিবলৈ লাজ নকৰো। তেনে কৰিলে মোৰ মনুষ্যত্বই বা থাকিব কত ? মা দেউতাৰো তাইৰ প্ৰতি আন্তৰিকতাৰ অভাৱ নিশ্চয় নাই। তাই পঙ্গু যদিও আন খন হাতেৰে ঘৰৰ সকলোবোৰ কাম কৰি যায়। কিন্তু অলপতে খঙটো উঠি খুব কোঢ়াল লগাই দিয়ে। খোৱাৰ সময়ত আমাৰ ঘৰত সদায় কোঢ়াল । বিশেষকৈ এই বাইদেউজনীৰ কাৰণে । তাইক ভোক লাগিলেই খাবলৈ দিব লাগে। কিন্তু মাই দিয়ে কৰ পৰা ? ন-জন মানুহে জীয়াই থাকিবলৈ খাব লাগে। লজ্জা নিবাৰণ কৰিবলৈ এডুখুৰিকৈ লাগে কাপোৰ । জাৰজহ অনুযায়ী অথবা যুগৰ লগত নিজকে খাপ খুৱাই কাপোৰ সাল-সলনি কৰাৰতো প্ৰশ্নই নুঠে। কিন্তু আয়ৰ ঘৰত এটি বিবাট শূণ্য । আজি দুবছৰে দেউতাই পৈত্ৰিক সম্পত্তিৰ সকলো বেচিলে। কিন্তু ভাগ্য ভাল যে দেউতাৰ চাকৰি থকা কালতে মই মেট্ৰিকটো পাচ কৰি আহিলোঁ। তাৰ পিচত প্ৰমোদ খুৰাই মোক ইয়ালৈ লৈ আহে। এওঁলোকেও মোক চাকৰি কৰিবলৈ নিদিয়ে । কেৱল বি,এ টোহে ভালকৈ পাচ কৰিব লাগে।

আকৌ এইবাৰ আজিৰপৰা তিনিমাহ আগৰ কথা এটি মনত পৰি গ'ল। মই মহাদেউৰ লগত আমাৰ গাঁৱৰ ওচৰৰে এখন চাহ বাগানলৈ গৈছিলো । তেওঁ তাত ৰাতি থাকিবলগীয়া হ'ল। কিন্তু মই থকাৰ অসুবিধা দেখি ৰাতি খাই বৈ আমাৰ ঘৰলৈ গ'লো। পুহমহীয়া জোনাক ৰাতি। বৰ ঠাণ্ডা । কিন্তু গৰম কোট-পেণ্ট পিন্ধি যোৱা হেতুকে বেচি জাৰ অনুভৱ নকৰিলো । ৰাতি চাৰে ন মান বজাত ঘৰ পালোগৈ।

বাস্তাতে ভাবি গৈছো ঘৰখন যেন অলপ শান্তিত পামগৈ। মনটো খুব ভাল লাগিল। সকলোবোৰ একেবাৰে নিস্তব্ধ হৈ আছে। কিন্তু ক্ৰমে শুনিবলৈ পালো সৰু ভাইটি আৰু ভাগিন দুজনে উচুপি উচুপি কান্দি বিচনাতে পৰি আছে। গৈ দেখো তিনিওজন একেখন বাহৰ চাঙতে পৰি আছে। তলত এখন ঢাবি আৰু এখন ফটা চিটা কাপোৰ। ওপৰত জাৰ নিবাৰণ কৰিবলৈ এডুখৰি কিবা কাপোৰ দি তাৰ ওপৰত মাছ মৰা জাল কেইখনমান জাপি দিছে। লগে লগে মোৰ মনলৈ আহিল—মাহীদেউহঁতৰ নবা-ছোৱালীজাকলৈ। বিজাই চালোঁ। মই সিহঁতক কান্দিবলৈ বাধা দিয়াত ডাঙৰ ভাগিনটোৱে চকুলো খিনি হাতৰ তলুৱাৰে মচি মচি কৰলৈ আৰম্ভ কৰিলে—

: আমাক ভাত কমকৈ দি মাহীয়ে গোটেইখিনি খাই পেলাইছে।

মই অবাক হৈ সিহঁতৰ মুখলৈ চাই থাকিলোঁ। বন্ধন কাৰ্য্য চলি থকা নাই। বাকীকেইজনে নিশ্চয় ভাত খোৱা নাই। ভাত মুঠিৰ কাৰণে মোৰ সেই পদ্মু বাইদেউজনীও আজি সৰু ছোৱালী হৈ পৰিছে। কিছু সময়ৰ পিচত কাপোৰ-কানি সলাই মজিয়াৰ বেৰখনতে থৈ দিলোঁ। চিন্তাক্লিষ্ট ভাৱেৰে এখোজ-দোখোজকৈ বাহিৰলৈ ওলাই আহিলোঁ। তেনেতে শুনিবলৈ পালো।

:"আমাৰ কাৰণে হলে নাহিলোহেঁতেন। কিন্তু ডাঙৰবোপা গুৱাহাটীৰপৰা আহিছে নহয়। তাক কেনেকৈ লঘোণে থওঁ ? কিবাকৈ এজনৰ কাৰণে অলপ চাউল দিয়া।

এইটো মাৰ কণ্ঠস্বৰ। খুৰাহঁতৰ তালৈ মাই চাউল আনিবলৈ গৈছে। তাৰ মানে মোৰ মাও মগনীয়া। কিন্তু জোলোঙা আৰু ভিক্ষা পাত্ৰ হাতত লৈ মানুহৰ দুৱাৰে দুৱাৰে যোৱা নাই। যিহওক মাই ভাত বান্ধিলে। মোক মাতিলে। মই খাই বৈ যোৱা বুলি কৈ ভাইটো আৰু ভাগিনটোকে দিবলৈ ক'লো। সিদিনাৰ কাৰণে তেওঁলোক লঘোণে থাকিবলগীয়া নহ'ল।

মোক মজিয়াতে ঢাবি এখন পাৰি দি বিচনা কৰি দিলে। পুৰণি লেপ এখন মোক দিছে। একো নকলো যদিও মনটো খু-দুৰাই থাকিল। তেওঁলোকৰ কাৰণে নিশ্চয় বেলেগ কাপোৰ নাই। বহুত সময় টোপনি অহা নাছিল। চাকিটো টিমিক-টামাককৈ জ্বলি আছিল। বাইদেউ দুজনী, মা আৰু সৰু ভনীটি আটাই কেইজনে কথা পাতি আছে। পদ্মু বাইদেউজনীয়ে মোৰ গৰম কোট পেণ্টবোৰ লিৰিকি-পিটিকি আছিল।

: কিয় চুইচ ? বেয়া হৈ যাব। বহুত দাম নিছে, জান ? দাদাই মাৰিব। দাদাই আমালৈও গৰম কাপোৰ আনিব।

সৰু ভনীজনীয়ে সেই বাইদেউজনীক কোৱা শুনিলো।

: হৈছে যা, খাবলৈ ভাত নাই, গৰম কাপোৰ পিন্ধিবি।

—বাইদেউজনীয়ে টপৰাই উত্তৰ দিছিল। সেই মুহূৰ্ত্ততে মোৰ কাপোৰখিনি পুৰি পেলাবৰ মন গৈছিল। নিজকে বৰ নীচ মনোবৃত্তিৰ যেন লাগিছিল।

হঠাৎ টং টংকৈ ওৱাল ক্লকটোত বাৰটাৰ কোৱ পৰিল। ছিঃ, ভাবোতে ভাবোতে ৰাতি বহুত হ'ল। লাইটটো অফ্ কৰি দি শুই পৰিলোঁ। কিন্তু তৎক্ষণাত টোপনি নাহিল। এইবাৰ মাহীদেউলৈ মনত পৰিল। ভাবিছিলো মানুহঘৰে মোক এধানি মৰম যাচিছে। কেতিয়াবা পাবিলে এই মৰমৰ ধাৰ মই সুজিম। কিন্তু তেওঁলোকৰ কি জঘন্য মনোবৃত্তি। তাবোপৰি মোৰ ঘৰৰ মানুহৰ কুৎসা ৰটনা কৰাৰ তেওঁলোক অযোগ্য। তেনেকুৱা অৱস্থাত থাকিলে তেওঁলোক হয়তো বলিয়া হৈ গ'লহেতেন। সেইবিলাক ভাবি লাভ নাই। মূল কথা কিবাকৈ মই এটা চাকৰি লব লাগিব। মই এই ঘৰৰপৰা যাবই লাগিব। মোৰ মা—দেউতাই বাঁহৰ চাঙৰ ওপৰত অনাহাৰ অনিদ্ৰাই দিন কটাবলৈ ধৰিছে তেনে ক্ষেত্ৰত মই আৰাম কৰি বহি থকাটো অশোভনীয়। দৰমহাৰ টকা আটাইখিনি ঘৰলৈ পঠিয়াম। মই কাবোবাৰ ঘৰুৱা শিক্ষক হৈ হলেও নিজৰ পেটটো পুহিম। মোৰ ভাই ভনীয়ে লাজ নিবাৰণ কৰিবলৈ এডোখৰ ফটা কাপোৰ নেপায় আৰু আনফালে পশ্চিমীয়া সভ্যতাৰে প্ৰভাৱান্বিত হৈ বন্ধুসকলৰ লগত খোজ মিলাবলৈ যোৱাটো মোৰ ভণ্ডামিত বাহিৰে আন একো হোৱা নাই। মুঠতে মই চাকৰি কৰিবই লাগিব। মোৰ বহুতো চিনাকি মানুহ আছে। গতিকে ৰাতিপুৱাই ঘৰলৈ যাম। দৰ্কাৰ হলে মোৰ শিক্ষা ইমানতে শেষ। তথাপি মই মোৰ

মনুষ্যত্বক বিক্ৰী কৰিব নোৱাৰো ।

এইবোৰ ভাবি থাকোতেই টোপনি আহিল । চাকৰি কৰা আৰু ঘৰলৈ যোৱাটোৱেই মোৰ সিদ্ধান্ত কৰিলো ।

: দিগন্তদা। অ' দিগন্তদা । ৰুণুমীয়ে দুৱাৰত টোকৰ দি মাতিছে। ঘপকৈ টোপনিৰপৰা উঠি দুৱাৰখন খুলি দিলোঁ । মুখখন ধুই চাহকাপ খায়েই ঘৰমুখে বাওনা হলোঁ । যাওঁতে বাস্তাত কেৱল একেটাই চিন্তা । বাছখনত বহুত যাত্ৰী । সকলোৰে বিভিন্ন চিন্তা । আৰু মোৰ মাত্ৰ একেটাই চিন্তা । চাকৰি । মনটোত অলপ সকাহ পোৱা যেন লাগিল। চাকৰি কৰিম। টকা পাম। বাইদেউৱে তাঁতশালত কাপোৰ বব। টকা পাব। আটাইয়ে পেট ভৰাই খাবলৈ পাব । দেউতা নিৰোগী হব। ইত্যাদি কথাবোৰে মোক বাৰে বাৰে জুমুৰি দি ধৰিছেহি ।

বাছৰপৰা নামি কিছুদূৰ গৈ আমাৰ গাঁও সোমাইছোঁ । দুই এগৰাকী অচিনাকি তিৰোতাই কোৱা-কুই কৰা মোৰ কাণত পৰিল "ডাঙৰ পুতেক আহি পালেহিয়েই ।" কিবা এক অজান আশঙ্কাত মোৰ দেহ-মন লৰি উঠিল । কিন্তু বিশেষ মন নকৰি গৈ থাকিলোঁ ।

: তোমালৈ টেলিগ্ৰাম কৰিছিল নেকি ? —এজন মানুহে এখন দোকানৰপৰা ওলাই আহি ব্যগ্ৰভাৱে সুধিলে । মই থাউকতে একো কব নোৱাৰিলোঁ । কাৰণ তেওঁৰ কথাৰ অৰ্থ মই একো বুজা নাছিলোঁ ।

: গেল্ যা বাপা। এই সংসাৰৰ জ্বালা-যন্ত্ৰণাৰ ভাৰখন তোকে দি থৈ গেল্ । পিচে আত্মঘাতী হবা নালাগিছিল। বৰ ভাল মাষ্টৰ আছিল দেচুন ।

গদ্ গদ্ কৈ বুঢ়ী এজনীয়ে দুখেৰে কৈ মোৰ মুখৰ পিনে সহানুভূতিৰে চাৱনি এটিৰে চাই থাকিল। । বুজিবলৈ মোৰ আৰু একো নেথাকিল । তাৰ মানে মোৰ দেউতাই আত্মহত্যা কৰিছে । মূৰটো আচন্দ্ৰাই কৰিলে । অন্তৰখন ভাঙি চিঙি চূৰমাৰ হৈ গ'ল। নিজকে অলপ সহজ কৰি লৈ আগুৱাই গ'লো । চোতালত বহুত মানুহ । দেউতাক বগা কাপোৰেৰে চাকি চোতালৰ মাজ ভাগত থৈ দিছে। মা, বাইদেউহঁতে হুৱাও-বাৱে কান্দিব ধৰিছে। দুজনমান মানুহে বাঁহ কাটি আছে । বাঁহ-কটা শব্দটোৱে পৰিস্থিতিটো বেছি ম্লান কৰি দিছে। মই যোৱাৰ লগে লগে মাই হিয়া ঢাকুৰি ঢাকুৰি কান্দিবলৈ ধৰিলে । মই নিৰ্ব্বাক, নিস্পন্দ হৈ চাই থাকিলোঁ। মোৰ চকুপানী ওলোৱা নাছিল। কিন্তু মই বাকৰুদ্ধ হৈ গৈছিলোঁ ।

মই শ্মশানৰপৰা ঘূৰি আহিলো । তেতিয়াও মাই মাটিত বহি কান্দি আছে । সেই কান্দোনত অন্তৰ্নিহিত হৈ আছে দেউতাৰ প্ৰতি থকা মৌন শ্ৰদ্ধাঞ্জলি জীৱাই থকা কালত যিজনী মাই দেউতাক কৈছিল "কেৱল খাবহে জানে, কাম হলে কৰিব নোৱাৰে ; এনেকুৱা জীৱন থকাতকৈ নথকাই ভাল" —সেইজনী মাই আজি কান্দি কান্দি অৱশ হৈ পৰিছে কিয় ? ?

কিন্তু মাই ভুল কৰা নাছিল। হয়তোবা দেউতাইহে বুজাত ভুল কৰিছিল । যাৰ প্ৰতি মৰম বেছি তাৰ অকণ মান ভুলতে অভিমান কৰাটো, টান কথা কোৱাটো স্বাভাৱিক । দেউতাইও এইকথা নিশ্চয় বুজিছিল । তেনেহলে আত্মহত্যা কৰিলে কিয় ? নিশ্চয় মোৰ কাৰণে। নাখাই খুৱাই, নিপিন্ধি পিন্ধাই মোক ডাঙৰ দীঘল কৰিছিল । আৰু মই আৰামত ফুৰি-চাকি বন্ধু সকলৰ মনত ধনীৰ দুলাল হৈ বহি আছোঁ । কিন্তু আজিতো মোৰ ভুল ভাঙিছে। মই দেউতাক জনাবলৈ আহিছিলো যে মই চাকৰি কৰিম। এনেদৰে মোৰ অন্তৰ্দ্বন্দ্বৰ শেষ নোহোৱা হ'ল। কিন্তু মই মাত্ৰ এটি কথাৰ কাৰণে হতাশ হৈ পৰিলোঁ। —দেউতাই মোৰ কথাষাৰ শুনি যোৱাহেতেন ......!

মাজ চোতালত কলপাত এখনত বহি আছো । হঠাৎ মোৰ বন্ধু প্ৰদীপলৈ মনত পৰিল । প্ৰদীপে যে মোক বয়েজ্ কমন্ ৰুমত কৈছিল—"তই হৈছ ধনী মানুহৰ ল'ৰা । তোৰ এই বিলাসিতাৰ মাজত সাহিত্যই ঠাই নোপোৱাটো একো ডাঙৰ কথা নহয় ।"

এই কথা প্ৰসঙ্গতে আমাৰ কলেজ আলোচনীৰ সম্পাদকে মোক এটা গল্প লিখি দিবলৈ খুব জোৰ কৰা কথাটো মনত পৰিল ।

এৰিয়ানৰ সম্পাদকলৈ লিখি পঠালো, তেওঁক দিব খোজা গল্পটো আৰু মোৰ লিখা নহল ।




**মহেশ কলিতা**
৩য় বাষিক, কলা

"হলধব মহাজনলৈ খং উঠিল। মানুহনো ইমান অকৃতজ্ঞ হব পাবেনে ?.... মালতীব বিয়া হব। গাঁৱব পবা এটা আৱৰ্জ্জনা যাব।....ভনীজনীব হয়তো চিবদিনব বাবেই বিয়া নহব ......।"

আঠ বছব ধবি ঘবতে গাভৰু হৈ বহি থকা ভনী জনীব বিয়াব খবব শুনি প্ৰথমতে মোব বব ভাল লাগিছিল । ভাল লাগিবব কথাই। আমাব গাঁৱত তাইব সমান বয়সব ছোৱালীবোব কাহানিবাই বিয়া হৈ বোৱাবী হলগৈ। তাইব লগব চম্পা, বকুলী, জেতুকীহঁত দুটাকৈ সন্তানব মাক হ'ল। ভনীজনী এতিয়ালৈকে আবিয়ে হৈ ঘবতে আছে। হয়তো তাব বাবে আমিয়েই দায়ী, দায়ী আমাব দাবিদ্ৰতা ।

পূজা-পাৰ্ব্বন আহে। গাঁৱত উখল মাখল। নতুন বঙ; নতুন উদ্দীপনা । ঘবলৈ যাও। গাঁৱবপবা আতবি গৈ অইন ঠাইত থকা সকলোবোব গাঁৱলৈ ঘূবে। দুটা এটা সন্তানব মাক হোৱা ছোৱালীবোবব লগত ভনীজনীক দেখিলে মোব বব বেয়া লাগে। বেয়া লাগে তাইব উকা কপাল খন দেখিলে । তথাপি মই যে নিৰুপায়। দবাও তেনেকৈ অহা নাছিল । কোনোবা আহিছিল যদিও নানাবকম অভিযোগ । "একেবাবে দুখীয়া পবিয়াল, চালত খেব নাই...." ইত্যাদি অভিযোগ । শুনি শুনি তিতা লাগে ।

দিনক দিনে চিন্তা বাঢ়িল। আনন্দ আহিল । এদিন আঁতবিল। তাব ঠাই ললে নিবানন্দই । আজিব দিনত ছোৱালী এজনী উলিয়াই দিয়াতো কম কথা নহয়। বিশেষকৈ আমাব নিচিনা পবিয়ালব পক্ষে । ছোৱালীক উলিয়াই দিয়াব লগতে কিছু ফাণিচাব, বাচন-বৰ্ত্তন আৰু কত কি দিব লাগে। কিন্তু আমাব নিচিনা

পৰিয়ালৰ পক্ষে ফাৰ্ণিচাৰ দিয়া দূৰৰ কথা, ভনীজনীক ভাল কাপোৰ এসাজ পিন্ধাই বভাতলীলৈ উলিয়াই দিয়াটোৱেই ডাঙৰ সমস্যা ।

গোহালিৰ গৰু আৰু বাৰীৰ তামোল পাণ বিক্ৰী কৰি কোনোমতে বিয়াখনৰ যাৱতীয় খৰচ খিনি যোগাৰ কৰিব পৰা যাব। কিন্তু ভনীজনীৰ লগত দিবলগা যৌতুকৰ সামগ্ৰীখিনিৰ বাবেহে চিন্তাত পৰা বুলি সৰু ভাই বাজেনে চিঠিত লিখিছে । কেনেদৰে চিন্তাৰ ওৰ পেলাব পৰা যাব তাৰ কথা চিঠিখনত উনুকিয়াই নিদিলেও ময়েই যে যৌতুকৰ সামগ্ৰীখিনি যোগাৰ কৰিব লাগিব তাৰ ইঙ্গিত হলে চিঠিখনত আছে। আজি চাৰিদিন ধৰি বিচনাত পৰি এটাই মাত্ৰ চিন্তা কৰিছো--বস্তুখিনি কেনেকৈ যোগাৰ কৰো ।

ৰুগ্ন পিতা, নিৰনুৱা ভাই, দুখীয়া পৰিয়াল । এইবোৰৰ মাজেৰেই মই ডাঙৰ হৈছো । মেট্ৰিকৰ দেওঁনাখন পাৰ হৈ গুৱাহাটী অভিমুখে ৰাওনা হোৱাৰ বাহিৰে মোৰ আন কোনো উপায় নাছিল। ভাবিছিলোঁ গুৱাহাটীৰ নিচিনা মহানগৰীত কোনো এটা চাকৰিৰ সংস্থান কৰিব পাৰিম। কিন্তু তাকো কৰিব নোৱাৰিলো। আজিও পৰা নাই। তিনিবছৰ বাগৰি গ'ল। নানা ঠাইত নানা পৰিবৰ্তন হ'ল। টিউচন আৰু ৰাতিৰ কলেজ মোৰ পৰা কিন্তু আতৰি নগ'ল ।

টিউচন কৰি বহুতো তিতা-কেহা অভিজ্ঞতা লাভ কৰিছো । কেতিয়াবা গৰাকীৰ ঘৰত 'বয়'ৰ কামো কৰিছো। কেতিয়াবা আকৌ বজাৰ কৰা বেগটো ময়েই লব লগাত পৰিছে। গৰাকীৰ ঘৈণীয়েকৰ যাৱতীয় কাম কৰাও মোৰ টিউচন কৰা জীৱনৰ ডাঙৰ অভিজ্ঞতা। কোনো ঘৰত আকৌ ঘণ্টাৰ পিছত ঘণ্টা বহি থাকিও ল'ৰাক লগ নেপাওঁ। "তেতিয়াৰ পৰা তোমাক অপেক্ষা কৰিয়েই আছিল দেখোন । বেজাৰ লাগি কোনোবা ফালে ওলাই গৈছে যেন পাওঁ । এতিয়াই আহিব। তুমি অলপ বহাচোন ।" গৰাকীৰ ঘৈণীয়েক আহি উত্তৰ দিব। বহো। এঘণ্টা দুঘণ্টা পাৰ হয়। হঠাৎ কৰবাৰ পৰা হুৰমূৰকৈ আহি ওলাব । আহিয়েই নানা ৰকম অভিযোগ—"চাৰ আপুনি ঠিক সময়ত আহিব। এনেদৰে কিমান সময় আপোনালৈ অপেক্ষা কৰিম। মৰতো অলপ ফুৰিব লাগে।" কেতিয়াবা আকৌ উত্তৰ দিব "চাৰ আপুনি যাব পাৰে । মই আজি নপঢ়ো।" খঙ উঠে । ইমান কাণ্ড জ্ঞানহীন ল'ৰানে ? দুষাৰ টান কথা শুনাই দিবৰ ইচ্ছা যায় । নোৱাৰো । টকাই বাধা দিয়ে। টিউচনৰ ওপৰত ভিত্তি কৰিয়েই আজি ইমান দিনে পোহ গৈছো, ৰাতিৰ কলেজত পঢ়িব পাৰিছো আৰু-ৰুগ্ন পিতাৰ বাবে ঔষধৰ যোগান ধৰিছো । ল'ৰা জনক দুষাৰ টান কথা শুনাব পাৰো । কিন্তু মোৰ টিউচনটো নোহোৱা হব বুলিয়েই মনৰ খঙ মনতে দমাও ।

এনেকুৱা এটা গতানুগতিক জীৱন-যাপন কৰি আছো। গতিকে টকা-পইছাৰ সম্পৰ্কত উদ্ভৱ হোৱা সমস্যা সমাধান কৰা মোৰ পক্ষে টান। উপাইও নাই। তথাপি ঘৰখনৰ প্ৰতি মোৰ এটি দায়িত্ব আছে । ভনীজনীৰ প্ৰতি মোৰ কৰ্ত্তব্য আছে। তাইৰ অলপ সুখ হওক—তাইৰ জীৱনৰ থানথিত লাগক এইটো মোৰ আশা । ভায়েক হিচাবে যিখিনি পাৰো সেইখিনি মই তাইৰ বিয়াত দিবই লাগিব। কম পক্ষেও এখন সাধাৰণ পালেং, টেবিল এখন (ড্ৰেচিং টেবিলৰ লেখীয়া হলে ভাল হব), চিয়াৰ দুখন দিব পাৰিলে অন্ততঃ সন্মান খিনি ৰক্ষা পৰিলহেঁতেন ।

টকা দুশৰ বাবে বহুতৰে ওচৰ চাপিলো । টিউচন কৰা মালিকসকলৰ ওচৰত হাত পাতিলো । নিৰাশ হলো। প্ৰত্যেকেই নিজৰ নিজৰ অসুবিধাৰ কথা ক'লে। "এই মাহত বিল্ডিংটোৰ Construction ৰ কাম শেষ কৰিলো । এই মাহত ফিয়েট কাৰখন লোৱাত টকা নোহোৱাই হ'ল"... ইত্যাদি ধৰণৰ উত্তৰ বহুতেই দিলে। টকা থকা সত্বেও মোৰ নিচিনা ভিকহু এজনক দিবলৈ ইচ্ছা যে নাই তেওঁলোকৰ কথা কোৱা ভঙ্গী আৰু উত্তৰৰ পৰা সহজতে গম পালো। মোৰ কৰিব লগীয়া একো নাই। তেওঁলোকৰ টকা। ইচ্ছা হলে দিব পাৰে। দিবৰ ইচ্ছা নহলে "আছে কিন্তু নিদিও" বুলি ভদ্ৰতাৰ খাটিৰত কৰও নোৱাৰে ।

উপায়হীন হলো। গজেনৰ ওচৰত হাত পাতিব লগাত পৰিলো । একপ্ৰকাৰে ভাবি চালে এসময়ত গজেন মোৰ বন্ধু আছিল। ঘৰ যোৰহাটত। বাপেকৰ দুখনকৈ চাহ বাগিছা আছে। টকা পইছাৰ অভাৱ নাই। ল'ৰাজন বৰ অহঙ্কাৰী। ধনী বুলি গৰ্ব্ববোধ কৰে।

মই পঢ়া কলেজখনতেই গজেনে Day shift ত পঢ়ে। হোষ্টেলত চিট নাপাই ভাবাঘৰত থাকিব লগাত পৰিল। দুটা বছৰ মই গজেনৰ লগত আছিলো। গজেনক ভাত বান্ধি দিও। ফলত ঘৰভাৰা আৰু খোৱা খৰচ গজেনেই বহন কৰিছিল। প্ৰথম অৱস্থাত গজেনক মোৰ ভালেই লাগিছিল। কিন্তু লাহে লাহে তাৰ আচল ৰূপটো মোৰ চকুত পৰিল। কথাই কথাই, উচাম্বিকা ভাৱটো প্ৰকাশ পাবলৈ ধৰিলে। এদিনাখন গজেনে মোক ক'লে "গুৱাহাটীৰ নিচিনা মহানগৰীত কোনোবা ডেকা ল'ৰাই চুৰিয়া পিন্ধেনে? তুমি দেখিছো একেবাৰে গাঁৱলীয়া ভূত হৈ আছা। ধৰা। এই এশ টকা নিয়া—আজিয়েই এজোৰা পেণ্ট চার্টৰ অৰ্ডাৰ দি আহা" এই বুলি মোৰ ফালে এশটকীয়া নোট এখন আগবঢ়াই দিলে। প্ৰথম বাৰৰ বাবে গজেনে মোৰ আত্ম-সন্মানত হাত দিলে। মই মনত বৰ আঘাত পালো।

পেণ্টচাৰ্ট এজোৰা লবৰ বাবে মই গজেনৰ ওচৰত হাত পাতিব নালাগে। মইও এজোৰা পেণ্ট-চাৰ্টৰ অভাৱ অনুভৱ কৰো। বহু সময়ত বন্ধুমহলত লাজতো পৰিছো। তথাপি মোৰ উপায় নাই। এজোৰা নতুন কাপোৰ লবৰ মোৰ সামৰ্থ্য হোৱা নাই বুলিয়েই কৰ লাগিব। এবাৰ একেলগে টিউচন কৰা এশ টকা পাই এজোৰা পেণ্ট-চাৰ্ট লও বুলি ভাবিলো। দোকানলৈ গ'লো। কাপোৰ চালো। লোৱা কিন্তু নহল। ভনীজনীৰ প্ৰতিচ্ছবি মনত পৰিল। দুৰ্গাপূজাৰ সময়ত ঘৰলৈ গৈছিলো। ভনীজনীয়ে এখন আওপুৰণি মুগাৰ মেখেলাৰ লগত এটা পুৰণি ব্লাউজ পিন্ধি পূজা চাবলৈ ওলাল। মোৰ পৰা টকা এটা ললে। ঘৰৰপৰা ওলাই নওলা মুখ পাইছে। হঠাতে মোৰ চকুত পৰিল ব্লাউজটোৰ পিঠিৰ ফালে ফটা। ফটা অংশখিনি ঢাকিবলৈ চাদৰৰ আচলটো টানিছেহে টানিছে। মোৰ আৰু চাবলৈ শক্তি নহল। চকু দুটা মুদি দি ঘৰৰ ভিতৰ পালোগৈ।

....পেণ্ট-চাৰ্ট লোৱাৰ আশা বাদ দি ভনীজনীৰ বাবে এখন মেখেলা, আৰু এটা ব্লাউজ পিচ্ কিনিলো। গজেনৰ ওপৰত মোৰ খং উঠিল। সি আমাৰ দৈন্যতাক উপলুঙা কৰিছে। ভাগ্যই যদি মোক প্ৰতাৰণা কৰে, ভাগ্যৰ লগত যুঁজ কৰিম। তথাপি মই আনৰ অনুগ্ৰহত জীয়াই থাকিব নোখোজো। মনত ৰাখিবা গজেন। আমি দুখীয়া হলেও মানুহ" এই বুলি কৈ সিদিনাই মই গজেনৰ ওচৰৰ পৰা চিৰদিনৰ বাবে ওলাই আহিলো। গজেনৰ ওচৰলৈ আহি আকৌ গৈছো। ভনীজনীৰ বাবে নিজৰ সন্মানৰ কথা ভাবিবৰ মোৰ সময় নাই। টকা দুশ দিবলৈ গজেনক অনুৰোধ কৰিছো। গজেনে মোক বিমুখ নকৰিলে। টকা দুশ দিলে।

টকা দুশৰে ভনীজনীৰ বাবে ফাৰ্নিচাৰ কিনিলো। আধুনিক নহ'ল। ঘৰৰ দৈন্যতাক ফাৰ্ণিচাৰে প্ৰতিনিধিত্ব কৰিব। কৰক। উপাইতো নাই। একেজনী ভনীয়েকক উলিয়াই দিওঁতে টকা খৰচ কৰাত কোনেনো কাৰ্পন্য কৰিব? মইও কৰা নাই। যিখিনি নাই, সেইখিনি কোনোমতে যোগাৰ কৰিছো। যোগাৰ কৰাখিনিকেই হাত উদং কৰি ভনীজনীৰ বাবে খৰছ কৰিছো।

....বাছখন মটৰ ষ্টেণ্ডত ৰল। চলন্ত গাড়ীখনৰ ফ্ৰণ্টচিটৰ এটি কোণত বহি চিন্তা কৰা কথাবোৰৰ ওৰ পৰিল। গাড়ীখনৰপৰা নামি পৰিলো। চাৰিওফালে চালো। নিৰাশ হলো। ঘৰৰপৰা কোনো অহা নাই। বোধহয় সময়কে উলিয়াব পৰা নাই, নতুবা পাহৰিলে। গাড়ীৰ ওপৰৰপৰা ফাৰ্ণিচাৰখিনি নমালো। চিনাকি দোকান এখনত থলো। এয়াৰ বেগটো হাততলৈ ঘৰলৈ বুলি খোজ ললো।

ঘৰৰ সন্মুখ পালো। বিয়াৰ বাবে কৰিব লগা কাম এতিয়াও বহুত বাকী। পশ্চিম ফালে নতুনকৈ এটা ঘৰ কৰিছো। এখন চালত খেৰ দিয়া হৈছে, বাকীখন তেনেই উদং। বেৰ এখনো হৈ উঠা নাই। আন দুটা ঘৰো তেনেকৈ মেৰামতি কৰা নাই। বাটৰ কাষৰ ঘৰটোৰ বেৰত অৱশ্যে দুই-এটা লেপন পৰিছে। ৰভাও এতিয়ালৈকে দিয়া নাই। অৱশ্যে ৰভা দিবলৈ যথেষ্ট সময় আছে। ঘৰৰ চাৰিওফালে লক্ষ্য কৰিলো। কোনো সুপৰিকল্পিত আচনি কৰা বুলি মনে নধৰে। আৰু কৰিবই বা কোনে? বাজেনতো যাৱতীয় কাম লৈয়ে ব্যস্ত। এঠাইৰপৰা আন ঠাইলৈ গৈছে। অমুকটো আনিব লাগে, তমুকটো নকৰিলে নহব। এনেস্থলত বাজেনেনো কেনেকৈ ঘৰৰ ফালে লক্ষ্য কৰে? কাম কৰা মানুহ লগাবলৈ হলেও বহুত কথাই আহি পৰে....। এই কেইদিনত যিখিনি পাৰো মইয়েই কৰিব লাগিব।

চোতাল পালো। কোনো এজনবো সঁহাৰি নাই। খং উঠিল। বিয়ালৈ মাত্ৰ তিনিদিন বাকী। ইহঁতে দেখিছো নাকত তেল দি শুই আছে। ছয় সাতদিনমান আগৰে পৰা বিয়াঘৰত দেখোন উখল-মাখল লাগে। আমাৰ ঘৰখনৰ ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম হোৱাত অৱশ্যে আচৰিত হবলগীয়া একো নাই।'।

....ভিতৰত কেকাইছে। কাণ দিলো। কেকোৱাজন দেউতা। বেয়া লাগিল। এইবাৰ দেউতালৈ ও ধো অনা নহল। অলপ পাছত মা ভিতৰৰপৰা ওলাই আহিল "অ বোপাই আহিলি ?" এই বুলি কৈ পুনৰ ভিতৰলৈ গ'ল। মাৰ কথাত কোনো উৎসাহ নাই। কব লাগে কৈছে। নকলে যেন মোৰ প্ৰতি অনাদৰ কৰা হব এনে এটি ভাব কথাখিনিত ফুটি উঠিছে।

মাৰ মুখখন শেঁতা। অন্তৰত দুখৰ চিন থকা বুলি মুখখনতেই ধৰিব পাৰি। হবৰ কথাই। এজনী ছোৱালী চিৰদিনৰ বাবে আন এঘৰলৈ উলিয়াই দিব। কোন মাকেনো দুখ নকৰাকৈ থাকিব পাৰে? থকাঘৰৰ কাঠিতেই 'এয়াৰ বেগটো থলো। চোতালত থিয় দিলো। চাৰিও ফালে এনেই পৰ্য্যবেক্ষণ কৰিলো। এটাৰ পাছত আন এটা কৰি বহুত কথাই মনলৈ আহিল। কিন্তু কোনো এটাতে শেষ সিদ্ধান্তলৈ অহাত সফল নহলো। মাই এলোটা পানী আৰু এখন গামোচা চোতালত থৈ গ'ল। মোক কোনো কথাই নক'লে।

বাৰীৰ ফালৰপৰা ভনীজনী ওলাই আহিল। মোক দেখি বৈ গ'ল। উৎসাহ উদ্দীপনা একো নাই। চকুৰে চকুৰে পৰাত তলমুৱা কৰিলে। মই হতাশ হলো। পৰিস্থিতিটো আচহুৱা যেন লাগিল। অইনবাৰ ঘৰলৈ আহোতে ভনীজনীয়ে নানাৰকম অভিযোগ আনিছিল "ঘৰলৈ আহিলে কোনো এটা খবৰ দিব নোৱাৰ নেকি? যোৱা মাহত ঘৰলৈ কিয় এখনো চিঠি দিয়া নাই? গুৱাহাটীত থাকি তই আমাক পাহৰি গৈছ নেকি?" এইবাৰো তেনে অভিযোগ ভনীজনীৰ ফালৰ পৰা আহিব বুলি ভাবিছিলো। তেনেবোৰ অভিযোগ শুনি মোৰ ভাল লাগে। কিন্তু নাহিল। "তই ভালে আছ?' মই মৰম মিশ্ৰিত সুৰত সুধিলো। ভনীজনীয়ে মূৰ তুলি চালে। তাইৰ চকুৰ কোণত দুটোপাল পানী জমা হ ল। ওঁঠদুটা কঁপি উঠিল তাইৰ। কিন্তু একো নক'লে। বোধহয় কব খুজিছিল—"ককাইদেউ মই তহঁতৰ বঢ়া ভাতৰ কাহী কাঢ়ি খাইছিলো নহয় সেই বাবে মোক উলিয়াই দিলি ?' কথাখিনি ভাবি মোৰ ভাল লাগিল। অন্তৰৰ গোটেইখিনি মৰম ভনীজনীক উজাৰি দিবৰ মন গ'ল। ছোৱালী যিমানেই শিক্ষিত হওক. বিয়া দিবলৈ উলিয়ালে মাক পিতাক আৰু ককায়েকৰ ওচৰত বিয়া দিয়াৰ বিৰুদ্ধাচৰণ কৰি বহুত কথাই কয়। ভনীজনীয়েও কব বুলি ভাবিছিলো। নক'লে। অলপ সময় থিয় দি থাকি ততাতৈয়াকৈ ঘৰৰ ভিতৰলৈ সোমাই গ'ল।

. ঘৰৰ ভিতৰত কোনোবাই উচুপিছে। ভনীজনীয়েই হব। কেকাই কেকাই দেউতাইও কিবা কৈছে। বোধহয় ভনীজনীক কান্দিবলৈ বাধা দিছে। বেয়া লাগিল। ভনীজনীৰ লগত মোৰো কান্দি দিবৰ মন গ'ল। দুজন ককাই-ভাইৰ মাজত একেজনী ভনী। দুদিন পাছত ভনীজনী ওলাই যাব। তাইৰ ওপৰত আমাৰ থকা কৰ্তৃত্বখিনি নোহোৱা হব। সেই কৰ্তৃত্বখিনি চলাব আন এখন ঘৰে। সেই কাৰণে সম্পূৰ্ণ অচিনাকি। অচিনাকি ঘৰখনক চিনাকী কৰিবলৈ ভনীজনীয়ে চেষ্টা কৰিব লাগিব। ঘৰখনৰ পাৰিপাৰ্শ্বিকতাৰ লগত নিজকে খাপ খুৱাবই লাগিব।

"বোপাই চাহ হৈছে।" মাৰ কথাত উচপ খাই উঠিলো। মুখ হাত ধুলো। চোতালতে টুলখনত বহিলো। মাই চাহ লৈ আহিল। লগত চিৰা এবাতি। বোধহয় বিয়ালৈ খুন্দা। চাহৰ বাটিটো তুলি ললো। মাই তামোলৰ বটাটো লৈ আহি কাষত বহিল। তলমুৱা কৰি তামোল কাটিবলৈ ধৰিলে। মালৈ লক্ষ্য কৰিলো। এই কেই দিনৰ ভিতৰত মা বুঢ়ী হৈ গ'ল। দেউতাই পুনৰ কেকাইছে। মাই মুখখন ঘূৰাই ভিতৰলৈ চালে—

"মা দেউতাৰ অসুখ হবৰ কিমান দিন হ'ল?"

"পাচ ছয়দিন হ'ল।" তামোল কাটি কাটি মাই উত্তৰ দিলে।

"কোনো ঔষধ পাতি অনা নাই নেকি?"

"ঔষধ আনিবলৈ পইছাই যোগাৰ হোৱা নাই।" হুমুনিয়াহ কাঢ়ি মাই ক'লে।

মোৰ নিজকে দোষী দোষী লাগিল। ডাঙৰ পুতেক হিচাবে দেউতাৰ প্ৰতি থকা কৰ্ত্তব্যখিনি মই যে কৰিবই পৰা নাই।

"বাজেন কলৈ গৈছে মা ?"

"খোঁৱাখুটিলৈ ।"

"কিয় ?"

মাই মোলৈ এবাৰ মূৰ তুলি চালে । তাৰ পাছত পুনৰ তলমূৰা কৰি লাহেকৈ উত্তৰ দিলে--

"তাত আমাৰ বিয়াৰ গাখীৰ লগাইছিল ।"

"এতিয়া আকৌ কিয় যাব লগা হ'ল ?"

"তই চিঠি পাইছ নহয় ?" মোৰ প্ৰশ্নৰ উত্তৰ এৰি মাই আন প্ৰশ্নৰ অৱতাৰণা কৰিলে।

"মইতো চিঠি পোৱা নাই ।"

"চিঠিত সকলোবোৰ কথাকেই লিখিছিল ।"

"কি কথা ?"

মা তলমূৰা কৰি নীৰৱ হ'ল । সেই নীৰৱতাখিনি মোৰ বৰ অসহ্য লাগিল। অধৈৰ্য্য হৈ প্ৰায় চিঞৰিয়েই ক'লো—

"চিঠিত কি কথা লিখিছিল খুলি নকোৱা কিয় ?"

"তই আহিব নালাগে বুলি ।"

"মই আহিব নালাগে ?"

আচৰিত হলো । একেজনী ভনী । তাইৰ বিয়া । আৰু সেই বিয়ালৈ মই আহিব নালাগে ? কাৰণ কি ? মই অৱশ্যে আৰু কিছুদিন আগতে আহিব লাগিছিল। বোধহয় নহাবাবে বেয়া পাইছে। বেয়া পাব লগা কথাই।

"ম, তোমালোকে মোক বেয়া পাইছা নহয় ? কিন্তু মই কি কৰিম তুমিয়েই কোৱাচোন মা । টকাখিনি যোগাৰ কৰোতেই হাবাথুৰি খাইছো । সেইবাবেহে ...."

"বোপাই বিয়া আৰু নহব ।"

"নহব ?"

"দবাই তোৰ ভনীয়েৰাক বিয়া নকৰায় ।"

"কিয় নকৰায় ?"

"হলধৰ মহাজনৰ ছোৱালী মালতীকহে দবাই বিয়া কৰাব ।"

"এইটো কেনেকৈ হ'ল মা ।"

প্ৰায় চিঞৰিয়েই কলো ।


সেপ ঢুকি মাই ক'লে--

"মহাজনে দবাঘৰত ভনীয়েৰাৰ বিৰুদ্ধে বহুত কথা লগাইছে বোপাই । ভনীয়েৰাৰ বোলে স্বভাৱ চৰিত্ৰ ভাল নহয়। দবাইও বিশ্বাস কৰিছে।" চকুৰ কোণত গোট খোৱা চকু-পানীখিনি মচি মা ভিতৰলৈ গ'ল ।

মই থৰ হৈ বহি থাকিলো। বাক্‌শক্তি হেৰাই গ'ল।.... হলধৰ মহাজনলৈ খং উঠিল। মানুহনো ইমান অকৃতজ্ঞ হব পাৰেনে ? সেইবাবতো হলধৰ মহাজন মোৰ বাবেই বক্ষা পৰিল। মাধৱ মণ্ডলৰ লৰাৰ লগত হোৱা মালতীৰ কেলেঙ্কাৰীৰ কথা চাৰিওফালে প্ৰচাৰ হ'ল। গাঁৱৰ মানুহে হলধৰক এঘৰীয়া কৰিলে। কাতি বাম পেহাইঁতক বুজালো । বুজাই-বঢ়াই কথাতো তল পেলাই থলো। হলধৰ মহাজনক সমাজত স্থান দিলো। সেই মহাজনেই আজি মোৰ বুকুত কামোৰ মাৰিলে । ভনীজনীৰ নিৰ্ম্মল চৰিত্ৰত কলঙ্কৰ কালিমা সানি দিলে ।

মালতীৰ বিয়া হব। গাঁৱৰপৰা এটা আৱৰ্জ্জনা যাব। বৰ ভালেই হব। ভনীজনীৰ হয়তো চিৰদিনৰ বাবেই বিয়া নহব ....। তথাপি মোৰ কৰিবলগীয়া একো নাই । হলধৰৰ নিচিনা সমাজৰ বৰমূৰীয়াসকলৰ বিৰুদ্ধে গলে মোকেতো মানুহে বেয়া বুলিব।

ৰসৰচনা ঃ




# মঙ্গল গ্ৰহত এটি দিন

চিন্ময় কুমাৰ শৰ্ম্মা
তৃতীয় বাৰ্ষিক বিজ্ঞান

সপোনতনো মানুহে কি নেদেখে ? ৰজা হোৱা দেখে, লটাৰীত টকা পোৱা দেখে, পৰীক্ষাৰৈ পলম হোৱা দেখে, লণ্ডন আমেৰিকালৈ যোৱা দেখে আৰু মই কি দেখো জানেনে ? শুনিলে চাগে আপোন-লোকৰ হাঁহিত পেটৰ নাৰী চিগিব, গতিকে আগতেই নিজক চম্ভালি লব দেই ; মোক আৰু পিছত দোষ নিদিব । মই ভাৰতে পঠিওৱা মঙ্গল গ্ৰহলৈ যোৱা প্ৰথম মহাকাশযান "নেহেৰু-১" খনৰ প্ৰথম মহাকাশযাত্ৰী হৈ মঙ্গল গ্ৰহলৈ যোৱা সপোন দেখো !

কিছুদিন আগৰ কথা । দেউতা এখন বিয়ালৈ গৈছিল। ময়ো গৈছিলো। অৱশ্যে গাড়ীৰ চালক হৈ । বিয়াঘৰ পোৱাত দেউতাই মোকো বিয়াঘৰলৈ লগ ললে। মই নগলো । কাৰণ গাড়ীখন অকলে এৰি যাবলৈ ভয় লাগিল। গুৱাহাটীখন মহানগৰ হোৱাৰ লগে লগে শিক্ষিত চোৰৰ সংখ্যাও কলিকতাৰ দৰে বাঢ়ি গৈছে । কলিকতাৰ কথা নেজানে জানো ? আপুনি আপোনাৰ গাড়ীখন কোনো এখন হোটেলৰ সন্মুখত থৈ চাহ খাবলৈ ভিতৰলৈ যক, ঘূৰি আহি দেখিবহি আপোনাৰ গাড়ীখন Jack অৰ ওপৰত আছে——চকাকেইটা নাই । বিচাৰিবলৈ হেড লাইটৰ চুইচ দিয়ক——লাইট দুটা নাই, কেৱল তাঁৰ কেইডালহে চকুৰ শিৰ ওলোৱাদি ওলাই আছে। গতিকে কলিকতা মহানগৰীৰ ৰতাহে স্পৰ্শ কৰা গুৱাহাটীত যে অন্ততঃ গাড়ীৰ চকাৰ কেপ কেইটা যে কোনোবাই খুলি নিনিব তাৰ কোনো মানে নাই । অৱশ্যে নোযোৱাৰ আন এটা কাৰণো আছিল । দিনত ক্লাচ কৰি ভাগৰো লাগিছিল । গতিকে গাড়ীৰ দৰ্জ্জা কেইখন ভালদৰে বন্ধ কৰি ভিতৰতে বহি থাকিলো । তাৰ পিছত মহনগৰীৰ ম'হে মোক হাতে, মুখে চুমা

খোৱাৰ লগে লগে অবেঙ্গ স্কোৱাচৰ পাইপ দালৰ দৰে শুং দাল সুমুৱাই মোৰ শৰীৰৰ স্কোৱাচ খোৱা আৰম্ভ কৰি দিলে। ময়ো দুই এটাৰ গাত হাত ফুৰাই মৰম কৰোতে তেজ পি গেবেলা হোৱা বাবে পঞ্চত্বং প্ৰাপ্ত হল। কিবা কিবি বিলাক ভাবি বহি থাকিলো। অলপ পিছতে আহিল আমাৰ ছাত্ৰ-ছাত্ৰীবোৰৰ লগৰী নিদ্ৰাদেৱী। আহিয়েই মোৰ চকুৰ পতাত হাত দিলে, মই চকু মুদিলো।

....নীলা, কলা, বগা, গেৰুৱা, পৰ্দাকেইখন পাৰ হৈ গল। তাৰ পিছত দেখিলো মই কলেজৰপৰা ঘৰলৈ আহিছো। এনেতে মায়ে মোক এখন টেলিগ্ৰাম দিলে। পঢ়িলো "SELECTED. COME IMMIDIATELY TO TROMBAY." মইতো অবাক। তাৰ পিছত কেনেবাকৈ দেখোন Interview দিয়া বুলি সপোনতে বুজি পালো আৰু বুজিলো যে ভাৰতে মঙ্গলগ্ৰহলৈ যিখন প্ৰথম মহাকাশযান "নেহৰু-১" পঠিয়াব তাত ময়েই অকল যাব পাৰিম। আচৰিত লাগিল—ভাৰতে মঙ্গল গ্ৰহলৈ ৰকেট পঠিয়াব। যিখন দেশৰ মানুহে দুবেলা দুমুঠি খাবলৈ নেপায়—যিখন দেশৰ মানুহে আজিলৈকে টেলিভিচনেই ব্যৱহাৰ কৰিব পৰা নাই, সেইখন দেশে আকৌ ৰকেট উৰুৱাব। বাজে কথা। চালচিগা ভিকছুৰ বৰ বৰ কথা। অলপ পিচত ভাবিলো কিজানি আমেৰিকাৰ পৰা loan লৈ ভাৰতে ৰকেট উৰুৱাব খুজিছে। খঙ উঠি গ'ল। কেৱল loan আৰু loan, এই loan দিয়েই আমেৰিকাই আমাৰ দেশখন কিনিব খোজা নাইতো ? যি কি নহওঁক মই ঠিক কৰিলো যে আজিয়েই যোৱা ভাল হব, নহলে ঠিক নাই মোৰ Trip টো Cancel কৰিব পাৰে, এনেয়ে অসমৰ বাহিৰে অসমীয়াৰ স্থান কতো নাই। মাক কথাটো কলো। মায়েতো যাবলৈ নিদিয়ে। দেউতাৰ অনুমতি পিছে পালো। দেউতাই কলে—"যা, অসমীয়াই এইবোৰ সুযোগেই নেপায়, তই যে পাইছ। তাৰ পিছত ৰাতি দহবজাৰ ট্ৰেইনৰ দ্বিতীয় শ্ৰেণীৰ ডবা এটাত উঠিলো। ডবাটোত ভিৰ মুঠেই নাছিল, পিছে তিনিচুকীয়াৰপৰা বঙালী ভদ্ৰলোক এজনে গোটেই ডবাটো তেওঁৰ পৰিয়ালেৰে ভৰাই আনিছে। আটাইবোৰ চিট বিচনা পাৰি দখল কৰি থোৱা আছে। গতিকে মই থিয় হৈ যাব লগাত পৰিলো। তেনেকৈয়ে বঙাইগাঁও পালোগৈ। মাজতে অৱশ্যে ভদ্ৰলোক জনে শুই শুই দুখ প্ৰকাশ কৰি কৈছিল "ইস্, ছেলেটা দাঁড়িয়ে ৰইল।" বঙাইগাঁও পোৱাৰ পাছত তেওঁৰ পৰিবাৰৰ মোলৈ বোধহয় দয়া উপজিল। মোক বহিবলৈ অলপ ঠাই উলিয়াই দিলে। ইতিমধ্যে ৰাতি পুৱাল। পিছত গম পালো যে ভদ্ৰলোকজনৰ ভাগিনজন ৰেলৱে কৰ্ম্মচাৰী। ফ্ৰী পাছ পাইছে।

তাৰ পিছত দেখিলো ট্ৰম্বে Space Centre অৰ এটি কোঠাত মই। এইখিনিতে আপোনালোকে চাগে ভাবিছে ক'ত ট্ৰম্বে আৰু ক'ত বঙাইগাঁও, মই সোঁৱৰাই দিও যে সপোনতহে এইবোৰ দেখিছিলো। তাৰ পিছত Space Centre অৰ Director এ মোক সুধিলে "মঙ্গললৈ যাবলৈ ওলাইছা—গৰু গাড়ীৰ চকা লগাব পাৰিবা নে নোৱাৰা ?" মই ভাবিলো বোধহয় মানুহজনে মোক পৰীক্ষা কৰিব খুজিছে যে মই সৰু কামবোৰ ঘিণ কৰো নে নকৰো। মই কলো "চাৰ, দৰকাৰ হলে মেটৰে নিয়া গৰু গাড়ীখনৰো চকা লগাবলৈ মই প্ৰস্তুত।" Director এ অইন সহকৰ্ম্মী বিলাকৰ লগত হাঁহিলে তাৰ পিছত মোক কলে, "মানে মই কব খুজিছো যে গৰু গাড়ীৰ চকা কেনেকৈ লগাব লাগে তুমি জানানে নেজানা তাত মোৰ সন্দেহ"। মই কেহঁবাজ বটা যেন হলো। ভিতৰি ভিতৰি জ্বলি-পকি মৰিলো। একো কবও নোৱাৰি, কলেই 'ওলোটা বুজিলি ৰাম' হয়। মনে মনে থাকিলো। তাৰ পিছত আৰু দিগদাৰ নহল।

মঙ্গললৈ যোৱা দিনটো আহিল। অ' কবলৈ পাহৰিছো মোক সাহায্য কৰিবৰ বাবে কোনো ভাৰতীয় নোহোৱাত আমেৰিকাৰ "এপ'ল—১১"যানৰ যাত্ৰী মাইকেল কলিন্স আৰু নীল আৰ্মষ্ট্ৰং আহিছিল। মোৰ কাম আছিল মঙ্গল গ্ৰহৰ তথ্যপাতি সংগ্ৰহ কৰা আৰু মঙ্গল গ্ৰহত ভাৰতৰ বিজয় পতাকা উৰুওৱা। মাইকেল কলিন্সে মহাকাশযানখন চলাই নিব আৰু আৰ্মষ্ট্ৰঙে মোক সহায় কৰিব। অৰ্থাৎ কেনেকৈ কি কৰিব লাগে তাকে দেখুৱাই দিব। আমেৰিকাই বা তেওঁলোকক শিকাই দিবলৈ কাৰ সহায় লৈছিল ? তাৰ পিছত মই, আৰ্মষ্ট্ৰং আৰু কলিন্সে নভোচৰৰ পোছাকেৰে সজ্জিত হৈ মহাকাশযানত উঠিলো। অসংখ্য লোকে হৰ্ষধ্বনিৰে আমাৰ যাত্ৰাত তেওঁলোকৰ শুভকামনা জনালে। মোৰ

আনন্দাশ্ৰু বৈ আহিল। ভাবিলো মা দেউতাই যদি মোৰ এই যাত্ৰা চাবলৈ আহিলহেতেন! মহাকাশযাখনৰ দৰ্জ্জা খিৰিকী বোৰ বন্ধ কৰি দিয়া হল। কলিন্সে চালকৰ আসনত বহিল। আৰ্মষ্ট্ৰং মোৰ কাষতে বহিল। মোৰ চকুপানী দেখি আৰ্মষ্ট্ৰঙে ক'লে, "You, young boy, why are you weeping ?" Firing অলৈ দহ চেকেণ্ড আছে। তাৰ পিছত শুনিলো Get ready, Nine, Eight, Seven, Six,....Three, Two, One, Fire.! মহাকাশযানখন প্ৰচণ্ড বেগেৰে উৰিবলৈ ধৰিলে। তাৰ পিছত যানখনৰ খিৰিকীৰে বাহিৰলৈ চালো, এই পৃথিবী দুনাই দেখিম জানো ? আৰ্মষ্ট্ৰঙে মিটাৰ চাই পৃথিবীলৈ Message পঠিয়াবলৈ ধৰিলে যে আমি ইমান মাইল দূৰত। আমি ভালে আছো, ইত্যাদি ইত্যাদি— তাৰ পিছত আৰ্মষ্ট্ৰঙে ক'লে মই বোলে Message দিব লাগে। মুয়ো Message দিবলৈ ধৰিলো—"এয়া আমি পৃথিবীৰপৰা ইমান হেজাৰ মাইল দূৰত, আমাৰ উশাহ-নিশাহ লোৱাত কিছু অসুবিধা হৈছিল, আমি ঠিক কৰি লৈছো।" আমি পৃথিবীৰ আকৰ্ষণৰ পৰা মুক্ত হলো গতিকে আমাৰ যানখনৰো গতিবেগ বাঢ়ি গল। মই আৰু আৰ্মষ্ট্ৰং ওফৰি পৰিলো। দুয়োজনে ওজন নোহোৱা যেন বোধ কৰিলো। নিজকে ভালদৰে ঠিক কৰি লোৱা বাবে কলিন্সে একো অসু-বিধা পোৱা নাই। মই পৃথিবীলৈ খবৰ পঠিয়ালো যে "আমি মঙ্গল গ্ৰহ পালো।" পৃথিবীৰ পৰা শুনিলো "What nonsense !" আৰ্মষ্ট্ৰঙে খঙত একো নাইকীয়া হৈ মোৰপৰা মাইকটো কাঢ়ি ললে আৰু ক'লে যে আমি মাত্ৰ পৃথিবীৰ আকৰ্ষণৰপৰা মুক্ত। তাৰ পিছত মোৰ পিনে চাই কলে, "You fool Indian"। আৰু বহুতো কিবাকিবি নজনাত সেই বাক্যটো কবলৈ নেপাহৰিলে। মই মনে মনে থাকিলো আৰু হাঁহিও উঠিল। ভাৰতত অসমীয়াক অনা-অসমীয়াবোৰে কয় "You fool Assamese !" আৰু বিদেশী বোৰে ভাৰতীয়বোৰক কয় "You fool Indian"। এবাৰ খঙতে আৰ্মষ্টঙে কলে, "তুমি কেনেকৈ চায়েন্স গ্ৰেজুয়েট হৈছা ! মই আৰু কি উত্তৰ দিম ? তেওঁকতো মই বুজাব নোৱাৰো যে যিহেতু আমাৰ ভাৰতীয় বিশ্ববিদ্যালয়বোৰত নিৰ্দ্দিষ্ট কেইটামান লেকচাৰৰে এটা শ্ৰেণীৰ পাঠ্যক্ৰম সীমাবদ্ধ, গতিকে আমি সকলো বিলাক কথা কেনেকৈ বুজিম ? ধৰকচোন গুৱাহাটী বিশ্ববিদ্যালয়ৰে কথা। Physics ৰ Statistical Electricity বুজাব লাগে Current Electricity ৰ আগতে, কিন্তু পাঠ্যক্ৰমত আছে Current Electricity পঢ়ি Statistical Electricity পঢ়িব লাগিব, তাৰ পিছত Current Electricity ৰ আধৰুৱাখিনি শেষ কৰিব লাগিব। আকৌ Physics জানিবলৈ হলে অঙ্কৰ যথেষ্ট দৰ্কাৰ। ধৰক আপোনাৰ B.Sc.ৰ প্ৰথম বাৰ্ষিকৰ Physics পঢ়িবলৈ হলে আপোনাৰ যথেষ্ট পৰিমাণে Inegral Calculus, Differential Calculus, Differential equation ৰ জ্ঞান, আৱশ্যক কিন্তু আপোনাৰ প্ৰথম বাৰ্ষিকৰ শেষৰ পিনেহে অঙ্কৰ উপৰোক্ত বিষয় কেইটা শিকিব পাৰিব। গতিকে আপুনি Physics অৰ Calculation বোৰ মুখস্থ নকৰিলে উপায় নাই। মনৰ কথা মনতে ৰাখিলো।

আৰ্মষ্ট্ৰঙে মোৰ বিষন্ন মন দেখি কৈছিল "Don't be sentimental, take it lightly"। তাৰ পিছত লাহে লাহে আমি মঙ্গল গ্ৰহৰ আকৰ্ষণত সোমালো। আমাৰ যানখনৰ গতিবেগ আৰু বাঢ়ি গল। আমি আকৌ আমাৰ ওজন অনুভৱ কৰিলো। অলপ পিছতে এখন ঠাইত আমাৰ যানখন ৰখা হল। আৰ্ম-ষ্ট্ৰঙে পৃথিবীলৈ এই বাতৰি পঠিয়ালে। এনেতে দেখিলো এজন মানুহে আহি ক'লে "দৰা আহিছে এইখন একাষৰীয়াকৈ থওক।" মই ভাবিলো ই আকৌ কেনে কথা। মঙ্গলগ্ৰহত বিয়া ! মই ক'লো "কলিন্সেহে চলাব।" মানুহজনে ভাবিলে চাগে কলিন্স আমাৰ ড্ৰাইভাৰৰ উপনাম, গতিকে হাঁহি হাঁহি কলে "এই বিয়া ঘৰত আৰু আপোনাৰ কলিন্সক ক'ত বিচাৰি পাম। আপুনি চলাব নোৱাৰে নেকি ?" মই "পাৰিম" বুলি গাড়ীখন চলাই একাষৰীয়াকৈ থলো। তাৰ পিছত আৰ্মষ্ট্ৰং নামিল আৰু ক'লে "নামি আহা"। মই নামোতে কিছু সময় লাগিল কাৰণ পৃথিবী আৰু মঙ্গলৰ মাধ্যাকৰ্ষণ শক্তি একে নহয়। এই খিনিতে এটা কব লগা কথা আছে। কথাটো হ'ল, টোপনিৰ জালতে দুৱাৰ খুলি বাহিৰ হৈ যোৱা অভ্যাস মোৰ আছে। ইতিমধ্যে মই গাড়ীৰ দুৱাৰ খুলি মঙ্গলৰ আকৰ্ষণৰ

লগত খোজ মিলাবলৈ যাওঁতেই থেকেচকৈ মাটিত পৰিলো। তাৰ পিছত মই দেখিলো মঙ্গল গ্ৰহৰ মানুহ বোৰো আমাৰেই নিচিনা। নে এইবোৰ মানুহে পৃথিবীৰ পৰাই আহি ইয়াত বাস কৰিছেহি ? মই তথ্যপাতি সংগ্ৰহ কৰাত লাগি গলো। কলিন্সে যানখন লৈ চাৰিওপিনে ঘূৰি আছে। আৰ্মষ্ট্ৰঙে মোক সহায় কৰিছে। মোৰ খোজবোৰ থৰক-বৰক হৈছে। মই আৰ্মষ্ট্ৰঙক ক'লো "I find it difficult to walk." কাষেৰে যোৱা দুই এটা বিহাৰী মানুহে কৈছে 'এক পোৱা চেবাপ পিয়া ঔৰ ৰাজা বনগিয়া।" মই ভাবিলো আমাৰ অসমত যিদৰে বিহাৰীবোৰে শিপাইছে ইয়াতো আহি বোধহয় তেনেকৈ শিপাইছে। এই বিহাৰীবোৰে আমাৰ অসমত বিক্ষাৱালাবপৰা আদি কৰি কুলিলৈকে কত কাম কৰিছে। আমাৰ অসমীয়াবোৰে এইবোৰ কৰিলে Prestigeত লাগে। এনেতে দেখিলো বহুতো শিল দ'ম কৰি থোৱা আছে। ভাবিলো মঙ্গল গ্ৰহত কিজানি বাষ্টা নিৰ্ম্মাণৰ বাবে এইবোৰ দ'ম কৰি থৈছে। এইবোৰ মঙ্গল গ্ৰহৰ শিল। মোনাটো মহাকাশযানতে থাকিলে। গতিকে ৰুমালত কেইটামান শিল আৰু অলপ ধূলি ভৰাই ললো। আৰ্মষ্টঙেও নিজৰ দেশখনৰ কাৰণে ললে। ভাবতে যেতিয়া নিলৰ্জ্জ ভাবে চন্দ্ৰৰ ধূলিৰ বাবে আমেৰিকাৰ ওচৰত হাত পাতিছিল তেতিয়া মোৰ ভাৰতীয়ৰ প্ৰতি কিবা এটি ক্ৰোধ ভাৱ জন্মিছিল। মই ভাবিছিলো, আমি যে হাত পাতিৰ লাগে আমি নিজে গৈ আনিব নোৱাৰো নেকি ? হঠাতে খেলালে এই আৰ্মষ্ট্ৰংডাল নহা হলেই ভাল আছিল। তেতিয়াহলে কিজানি মঙ্গলৰ ধূলিৰ বাবে আমাৰ ওচৰত হাত পাতিলেহেঁতেন; তাৰ পিছতে ভাবিলো আমেৰিকাই সামান্য এমুঠি ধূলিৰ বাবে ভাৰতৰ ওচৰত হাত পাতিব। দৰকাৰ হলে তেওঁলোকে নিজেই গৈ বস্তাই বস্তাই আনিব।

এনেকৈ ভাবি থাকোতে আৰ্মষ্ট্ৰঙে ক'লে "Let us go now"। মই য'ত থিয় হৈ আছিলো তাতেই ভাৰতৰ বিজয় পতাকাখন পুতি দিলো। তাৰ পিছত যানখনৰ কাষলৈ আহিলো। মই ধূলি আৰু শিলগুটি বন্ধা ৰুমালখন যানখনত থলো আৰু আৰ্মষ্ট্ৰঙক কলো যে মোৰ খুব পিয়াহ লাগিছে। আমাৰ লাগেজ কেবিয়াৰখন দেখোন মহাকাশযানৰ খাদ্যবস্তু থোৱা বাকচটো হৈ পৰিল। মই লাগেজ কেবিয়াৰৰ দৰে বাকচটো খুলি এটা বটল লৈ আহি ভিতৰত বহিলো। পানী খা.লা বটলটোৰপৰা। পিছে মঙ্গল গ্ৰহৰ কাৰণে নেকি পানীখিনি খাই সোৱাদ নেপালো, পিয়াহো নুগুচিল। বটল উদং হৈ গল। এনেতে আৰ্মষ্ট্ৰং আৰু কলিন্সে মোৰ পৰা বিদায় লৈ শুবলৈ গল। ভাবতে তেওঁলোক বিদেশী কাৰণে শোৱাৰ ধুনীয়া বন্দবস্ত কৰি দিছে আৰু মোক বুজাই বঢ়াই পঠিয়াইছে যে মই যেন কলিন্স বহা চিট খনতে শুই থাকো। কাৰণ কলিন্স বহা চিটখন বেচ দীঘল আছিল। মই কলিন্সৰ চিটখনতে শুই পৰিলো। তেতিয়া মঙ্গল গ্ৰহত মোৰ ঘৰীৰ সময় আছিল ৰাতি ১২ঘঃ ২০ মিঃ। অলপ পিছতেই মোক কোনোৱাই ঢকিয়াই মতা যেন পালো। শুনিলো "উঠ, উঠ, বহুত ৰাতি হৈ গ'ল, যাওঁ বল।" মোৰ ফূৰ্ত্তি লাগিল এতিয়া আমি পৃথিবীলৈ যাম। কিমান মানুহে চাগৈ আমাৰ বাবে বাট চাই আছে! আমি গৈ ভাৰত মহাসাগৰত পৰিম। তাৰ পিচত ৰঙা কাৰ্পেটৰ ওপৰেৰে আমি খোজ কাঢ়ি যাম। তাৰ পিছত...."নুঠ কিয় ?"—মই ভাবিছিলো আৰ্মষ্ট্ৰঙে মোক মাতিছে। মই ক'লো, "Oh Armstrong, how strange! you know Assamese! Please allow me a few minutes, I am very tired" তাৰ পিছত চকুমেলি দেখিলো আৰ্মষ্ট্ৰংজন দেখোন দেউতা হৈ গ'ল আৰু মই দেখোন গাড়ীখনতে শুই আছো। মোৰ ভৰিৰ কাষত সেই শিলগুটি আৰু ূলিৰ টোপোলাটো আৰু distilled waterৰ বটলটো চিটটোত পৰি আছে। এতিয়াহে বুজিলো যে মই পানীখিনি কিয় সোৱাদ পোৱা নাছিলো। ইস ৰাম, সৌটো দেখোন শিলগুটিৰ দ'মটো। মোৰ লাজ লাগিল। দেউতাই কলে, "কি বকি আছ অ ?" মই গাড়ী ষ্টাৰ্ট দিলো। এনেতে দেউতাই কলে, "চাওঁ সেইপিনে যা। টোপনিৰ জালতে কি কব ঠিক নাই।" মই একাষৰীয়া হলো। দেউতাই গাড়ী চলালে। অ' মঙ্গল গ্ৰহৰ দৰে পৃথিবীতো অৰ্থাৎ গুৱাহাটীৰ ভৰলুমুখতো ঠিক তেনে এখন বিয়াৰ গেট আৰু একে মানুহ দেখিছিলো।

# কলহ পুৰাণ

**তাৰিণী কুমাৰ দত্ত**
প্ৰথম বাৰ্ষিক বিজ্ঞান

"কলহ" বিশেষ্য পদ। অসমীয়া ভাষাত 'কলহ' "কলসী' আৰু "কলচী", সংস্কৃতত "কুম্ভ", হিন্দীত "সুৰাহী" আৰু ইংৰাজীত "পিতচাৰ" আৰু "হিউৱাৰ"। অসমীয়া গ্ৰাম্য সমাজত মাটিৰ কলহ, তামীকলহ,পিতলৰ কলহ, কাণফুলীয়া কলহ, ডাঙৰ কলহ, বৰ কলহ, সৰু কলহ, টেকেলি, গাগৰি, ঘট, ডগডগী, মূৰাকলহ, ভগ্ন কলহ, ফটা কলহ, ফুটা কলহ, কাণভঙা কলহ আদি অশেষ "চাব" নামৰে ই জনপ্ৰিয় ।

গ্ৰাম্য জীৱনৰ প্ৰয়োজনীয় সকলো পাৰ্থিব সা-সামগ্ৰী, বস্তু-বেহানী, বাচন-বৰ্ত্তনবোৰৰ ভিতৰত মহা মহিমাৰ্ণৱ শ্ৰীল শ্ৰীযুক্ত কলহ মহাশয়ৰ "পজিচন" শ্ৰেষ্ঠতম বুলি ন দি কব পাৰি । তাক আপুনি অস্বীকাৰ কৰিব নোৱাৰে। যদি কৰে তেন্তে হয় আপুনি এজন নাস্তিক নহয় নিজৰ আত্মাৰে প্ৰতাৰক ।

"কলহ" শব্দটোৱে কাণৰ পৰ্দ্দাত পৰাৰ লগে লগে নিশ্চয় আপোনাৰ চক্ষুপটত ভাঁহি উঠিছে গোলাব পানীৰ গাৰু এটাত ঢোল যেন বৰপেটটো পেলাই দি চতৰহীয়া বদ'ৰ তাপত চিৰাল ফটা পথাৰৰ দৰে শ্ৰীমুখ খনেৰে কমাৰৰ ভাটী যেন ফোচ-ফোচাই উশাহ লৈ থকা বৰপেটাল কেঞা মহাজন এজনৰ এখন ছবি। এনে পেটবো যথেষ্ট বাহাদুৰি আছে। ধৰক আপুনি এজন পেটাল লোক--গাত এজোৰ খদ্দৰৰ ধুতি, পাঞ্জাবী আছে (অথচ "আন্দাৰওৱেৰ" বোৰ লংক্লথেৰে তৈয়াৰী হওঁক তাত ক্ষতি নাই) তেন্তে আপোনাৰ কোনো সামাজিক গুণ নহলেও আপুনি নব্য সমাজৰ এজন ভব্য লোক। দেখিব দহজন আপোনাৰ পিচত। সঁচাক মিছা আৰু মিছাক সঁচা কৰিব পাৰিব। অৱশ্যে এনে পেটবো যে "দিমেৰিটচ" নাই তেনে নহয়--তাক লুকুৱা ; দুঃসাহসো নাই। পোণতে ইয়াক বাঞ্চা কৰা লোক এজনেও পৰৱৰ্ত্তী জীৱনছোৱাত ইয়াক লৈ চকু পানী টোকা দেখা যায়। "নন-কো-অপাৰেচন"ত ভাৰতবাসীয়ে বিলাতী বস্তু বৰ্জ্জন কৰাৰ দৰে পোনতে চেনি আদি মিঠা বস্তু বৰ্জ্জন কৰি পিচত আকৌ "দেইলি" এসাজ "ফুদ" ৰাহি কৰি বৰ্ত্তমানৰ খাদ্য অনাটনত সহায় আগবঢ়োৱা চৰ্বিবযুক্ত পেটাল সকলে ঘোলা পানীৰ পুঠীমাছৰ দৰে "আননেচেৰেল" মহাযাত্ৰা কৰা কোনে দেখা নাই! অ' পাহৰিছিলো। ক্ষমা কৰিব। মহাদেৱৰ কথা কবলৈ গৈ ভঙা লাউৰ কথা কোৱাৰ দৰে "কলহ পুৰাণ"ৰ কথা কবলৈ গৈ পেটাল পৰ্ব্বৰ কথাহে বলকিলো ।

সৰ্থেবাৰীৰ কাঁহৰ বাছনৰ দৰে হাজোৰ পিতলৰ কলহে অসম এতিয়াও ৰজনজনাই আছে। অসমৰ প্ৰায়বোৰ ঠায়েই মাটিৰ কলহৰ বাবে প্ৰখ্যাত ।

"কুমাৰ" বা "কুম্ভকাৰ" নামৰ এটা গোষ্ঠিয়ে ইয়াৰ জৰিয়তে কোনোমতে চাউল কঠা মোকালাইছে। "যন্ত্ৰ "নামৰ দৈত্যটোৱে লহলহ জিভা মেলি ইয়াক গ্ৰাস কৰিবলৈ কৰা অপচেষ্টাত নিবনুৱা সমস্যা জটিল হৈ পৰিছে। তথাপি ই জানো অবুজন পৰিমাণে হলেও নিয়োগ ক্ষেত্ৰত "হেল্প' কৰা নাই ? কৰিছে, এশবাৰ কৰিছে । সুবিধা পালে আৰু কৰিলেহেঁতেন। ইয়াৰ "ইনকামে "দেশৰ আৰ্থিক অনাটনত এটকা পৰিমাণৰ চাহিদা পূৰ্ণ কৰিব নোৱাৰিলেও এপয়চাৰ পূৰ্ণ নকৰা

বুলি কোনে বুকত হাত দি কব পাৰে?

যান্ত্রিক যুগৰ অৱদান বালটি, চৌবাচ্ছা, গামলা আদিত সংৰক্ষিত পানীতকৈ কলহৰ পানী দূষিত বীজাণুৰ "চিৰিয়াচ এটাক্ত"ৰ পৰা মুক্ত। কোনো বস্তুৰ আকৃতিক বুজাবলৈও "কলহ" শব্দটিৰ সহায় লোৱা হয়। । "অমুকটো কলহকণীয়া।" কোনো বস্তুৰ সামৰ্থ্য দৃঢ়ভাবে বুজাবলৈ কোৱা হয় "হাতীৰ শুৰত নাই বুলিয়েও চাৰিকলহ পানী?" এয়া এজনে আন এজনক "তেল"দি অৰ্থাৎ ভালৰি লগাই সাহায্য আদায় কৰাৰ চেষ্টা। "কলহৰ কাণেৰে চালিছে" বুলিলে আমি দৰাপিতা ৰবষুণকে বুজো ।

অপৰূপা শকুন্তলা আৰু প্ৰেমিক দুষ্মন্তৰ প্ৰণয় কাহিনীলৈ চাওঁক চোন— যি প্ৰণয়ৰ যোগসূত্ৰৰ ৰূপ পালে সুলক্ষণীয়া বজা ভাৰতৰ জন্মত—যিজনৰ নামৰে আমাৰ দেশমাতৃৰ নাম হ'ল "ভাৰতবৰ্ষ" । দেখিব কলহ মহাশয়ৰ তাতো "পাৰাৰফুল কেপাচিতি"। শকুন্তলাই কন্বাশ্ৰমৰ ফুলবাজিক কলহেৰে পানী দি থাকোতে তৃষ্ণাতুৰ দুষ্মন্তৰ আশ্ৰমত প্ৰৱেশ। মৃগাক্ষী ষোড়শীয়ে ঈষৎ হাঁহিৰে বজাক কলহেৰে পানী দিওঁতেই চাৰি নয়ণৰ অপূৰ্ব্ব মিলন ।

আত্মীয়স্বজনৰ খা-খবৰ লওতে নতুবা বিবাহ আদি মাঙ্গলিক নতুবা প্ৰেতাদি কৰ্ম্মত একালত গাখীৰ বা একলহ চাউল চিৰাৰে শুভেচ্ছা জনোৱাটো অসমীয়াৰ ৰীতি । শান্তি-স্বস্ত্যয়ন পাঠ, পূজা আদি কৰ্ম্মত এটি কুমাৰৰ মাটিৰ ঘট স্থাপন কৰিহে সনাতন হিন্দুৱে উপাস্য দেৱ-দেৱীক পূজে। কৰ্ম্মৰ অন্তত আকৌ এনে ঘটক তাল-খোল, শঙ্খ-ঘণ্টা কাঁহ বজাই ভাৰস্তিৰে নিৰ্ম্মল পানীত বিসৰ্জ্জন দিয়া হয়। শ্মশানৰ সৎকাৰ কাৰ্য্যতো কলহটো অপৰিহাৰ্য্য ।

ধৰক আপুনি নাদ বা কুঁৱাৰ পানীহে খায়। ঘৰত মাথোন আছে পানীতোলা বালটিটো। সিও কেনেবাকৈ পানীত ডুবিল। আপুনি তাত বিব্ৰত নহব। ততালিকে ডিঙিত বচী এডাল আঁৰি দি ঘৰত থকা কলহটোকে পানীত পেলাই দি পানী তুলি আনক ।

ঘৰত কাৰোবাৰ সন্নিপাত ৰোগী। ৰোগীৰ মূৰত পানী দিওঁতে আপুনি ভাগৰি পৰিছে। কলহ এটিৰ তলি ফুটাই দি ৰোগীৰ মূৰৰ ওপৰত আঁৰি দিয়ক। এতিয়া আপুনি "ৰেষ্ট"লওক। অথবা ক্ষন্তেক "স্মোকিং" কৰি "টিদিয়াচ" আত্মাক "ৰিফ্ৰেচমেণ্ট" দিয়ক।

আপুনি খেলৰ পৰিচালক। তালিকাত "ব্লাইন্দ হিট" খেলো আছে। ততালিকে মাটিৰ কলহ এটা সংগ্ৰহ কৰক। নচেৎ আপুনি কুঁহিয়াৰৰ খেতিয়ক। আপোনাৰ উৎপাদিত গুৰখিনি কলহ কেইটিমানত ৰাখি থক। বজাৰত চৰাদাম উঠিলে বিক্ৰী কৰি তাৰে আপোনাৰ শ্ৰীমতী বা পোণাহঁতে বিচৰা বস্তু কেইপদ মান কিনক। ধৰক আপুনি এজন স্বাধীন ভাৰতৰ প্ৰজা। যান্ত্রিক বাচন কিনিবৰ "এবিলিটি" নাই। তেন্তে আন আন মাটিৰ বাচনৰ লগতে কলহ কেইটি মান কিনি আপোনাৰ দিন কেইটা পাৰ কৰি দিয়ক। । "স্পুটনিক যুগ"ত তাতোকৈনো আপুনি কি বেছি বিছাৰে ?

গাঁৱে গাঁৱে পঞ্চায়তে যোগান ধৰা দমকলে অনেক। ইয়াক "দ্বন্দ্ব কলো" বুলিব পাৰি। উমৈহতীয়া দমকল, পুখুৰী, নদী আদিলৈ "কলহ-হস্তে" পানী আনিবলৈ যোৱা "মেদাম" সকলৰ মাজতো ৰাম-ৰাৱণৰ যুদ্ধহে দেখা যায়। বৈষ্ণৱ যুগত অসমত নামঘৰক কেন্দ্ৰ কৰি ভাওনা গঢ়ি উঠাৰ দৰে এনেকুৱা "ওৱাটাৰ চাপ্লাই চেন্তাৰে" পৰৰ কুৎচা ৰটনাৰ ঘাই স্থল। গাঁৱৰ বা-বাতৰিৰ অনাতাৰ কেন্দ্ৰ । পানী আনিবলৈ গৈ ইজনীয়ে সিজনীক কয় "বাই শুনিছা মাধৱীৰ কথা? তাই আমাৰ গাঁৱৰ নামতে কলঙ্ক আনিলে । আমি তেনে হোৱাহেঁতেন ডিঙিত কলহ বান্ধি নদীত জাপ দিলোহেঁতেন ...."।

বিয়ানামৰ জাউৰিয়ে আকাশ মুখৰিত কৰা কলহ হস্তে পানী তুলিবলৈ আৰু সুৱাগ তুলিবলৈ যোৱা মন্থৰ গতিৰ আয়তীজাকক চাওঁকচোন কেনে বিতোপন দেখি। পানী তোলাৰ যাত্ৰাবন্তণীত উলহ-মালহকৈ আয়তীজাকে তোলা গীতৰ জাউৰি :

"ব্ৰাচি লোৱা কুমাৰেৰে পানী তোলা কলসী
আজি দেৱী শঙ্কৰেৰে বিয়া ।"

—আকৌ :

"দুৱাৰ মেলা দুৱৰী আহি পালে কুঁৱৰী
তামৰে কলসী লই ।"

আহিয়েই ঘৰত সোমাল—তাত পানীপৰ্ণ কলসী কেইটি সযত্নে ৰখাৰ সময়ত আকৌ :

"পূৱ পশ্চিম চাঁবা    কলসীকে থবা
মুখে জান কাপোব দিবা ।"

এতিয়া আবেলি দবা নোৱাত হাস্যময়ী আয়তী সকল ব্যস্ত । দবাৰ মাকক ঠাট্টা কৰি গোৱা নামৰ জাউৰি গায় —

"বাপুহঁতৰ পিচপিনে    হালি আছে নল
কলহে কলহে পানী ঢালে,
কাণৰিবে পানী ঢালে    কাণৰ সোণা লবে
ভোকতে ককাল হালে ।"

মদপীসকলৰ মদৰ কলহ বা হাড়ীয়েই প্ৰাণ প্ৰেয়সী। অসমত "মদ নিবাৰণী আইন"ৰ ব্যাপক প্ৰচলন । মদপীৰ সংখ্যাৰ "জিওমেট্ৰিকেল প্ৰগেছন" । চহৰবাসিনী সুৰাদেৱীৰ গতি গাঁও মুখী হৈ পৰিল। "নটোবেবুল" গাঁৱলীয়া টাউনত ইয়াৰ উৎকট চলতি। বহুতে ধনো নষ্ট নহয় ।

পৃথিৱীখন পুৰণি হ'ল। লগে লগে মানুহে কৃত্ৰিমতাৰ মাজত সোমাই পৰিলে। কলহৰ আবিষ্কাৰো পুৰণি হ'ল। কিন্তু ইয়াৰ ব্যৱহাৰ, ইয়াৰ উপকাৰিতা মানুহে পাহৰিব পৰা নাই ।

পেটান মহাশয়ৰ কাৰ্য্য অশেষ। ধৰক মাটিৰ কলহ এটিৰ কাণ ভাঙিছে। ভাঙক, পেলাই নিদিব । তাৰ পেটৰ ওপৰলৈ কাটি পেলাই এটি গোলাকাৰ পাত্ৰ তৈয়াৰ কৰক। দেখিব ইও আপোনাৰ কামত আহিব। কলহ এটি ফাটিছে বা ফুটিছে। তথাপি তাক ব্যৱহাৰ কৰিব পাৰিব। ধৰক আপুনি এজন অসমীয়া খেতিয়ক। আহুধান চপোৱাৰ সময়ত মানে অসমক আক্ৰমণ কৰাদি জোকে আপোনাক আক্ৰমণ কৰিছে। জোক এৰুৱাবৰ কাৰণে কলাখাৰৰ (কলগছ পুৰি কৰা ছাইৰ) অত্যন্ত প্ৰয়োজন। এনে ছাইখাৰ ফটা, ফুটা কলহত ৰাখিব পাৰিব ।

আনহাতে পুৰণি অসমীয়াৰ কাণীয়া দলটোৱে ভঙা কলহৰ কাণটো "ভেম" অৰ্থাৎ কাণী খোৱা হোকাৰ আসন ৰূপে ব্যৱহাৰ কৰা পটন্তৰ এটি শুনা যায় ।

"ভেমটো আন
ভেমটো আন
ভেমটো আনে যে
কলহৰ কাণটো ।"

গতিকে ইয়ো এটা ইঙ্গিত দিয়ে তাহানি আজু ককাহঁতৰ দিনত ভঙা কলহৰ কাণটোও এটি আপুৰুগীয়া সম্পদ আছিল ।

কলহৰ মৃত্যুত তাৰ অস্থিখিনি সাৱধানে ৰাখক। ভয় নাই আপুনি গঙ্গালৈ যাবগৈ নেলাগে। আস্থিখিনি ডালিম, লেবু, নাৰিকল আদিৰ পুলিৰ গুৰিত লগাওঁক ।

ই জীৱজন্তুৰ প্ৰাণ নাশকো । সঁচা ঘটনা । এদিন ৰাতি এঘৰ মানুহৰ ৰান্ধনীঘৰত বেৰ ভাঙি শিয়াল এটা সোমাল। পিতলৰ কলহ এটিৰ তলত অকণমান এৱাঁ গাখীৰ লাগি আছিল। গাখীৰৰ গোন্ধ পাই লুভীয়া শিয়ালটোৱে দিলে মুখখন সোমাই। গাখীৰ ঢুকি নেপাই জোৰকৈ দিলে মূৰটো সুমুৱাই । মূৰ কলহৰ ভিতৰত সোমাই পৰিল । শেহত মূৰ উলিয়াব নোৱাৰি কলহটো লৈ সি পলাল। ৰাতি পুৱাৰ লগে লগে গৃহস্থৰ ঘৰত হাহাঁকাৰ । ক'তো কলহ বিচাৰি সুংসূত্ৰ উলিয়াব নোৱাৰিলে। দুদিন পিচত ঘৰৰ পিচ পিনে থকা এটি খালত "কোমবাইন্দ" কলহ শিয়াল ওপঙি উঠিল ।

কলহৰ সুলক্ষণ বৈলক্ষণো নথকা নহয়। ধৰক আপুনি যাত্ৰা কালত কলহ লৈ পানী আনিবলৈ যোৱা বা পানীপূৰ্ণ কলহলৈ উভতি অহা দেখিছে তেন্তে আপোনাৰ যাত্ৰা সুগম । ততালিকৈ গন্তব্য স্থানলৈ ঢাপলি মেলক। আনহাতে তেনে সময়ত অৰ্দ্ধমৃত কাৱৈ মাছটিৰ দৰে খালি কলহ এটি কাতি হৈ পৰি আছে তেন্তে আৰু নেযাব। আপোনাৰ "ষ্টাৰ্টিং" "ষ্টপ" কৰক—সদ্যহতে "প্ল্যান" স্থগিত ৰাখক ।

"কলহ পুৰাণ" "বেলগাপুৰাণত" কৈও দীঘলীয়া সেয়েহে ভলভলীয়া ফটা মুখৰ পৰা নিগৰি পৰিছে—

"চ'তে গৈই গৈই    বহাগ পালেহি
ফুলিলে ভেবেলি লতা
কই থাকো মানে    ওৰকে নপৰে
"কলহ পুৰাণ"ৰ কথা ।

আপোনাৰ হাঁহি উঠিছে চাগৈ । নেহাঁহিব । "চিৰিয়াচ মুদ" লৈছে নেকি ? নলব। বুজিছে ই স্বয়ং ব্ৰহ্মাৰ সৃষ্টি। বিশ্বকৰ্ম্মাৰ চিকুণ হাতৰ "সৃষ্টি" ।




# আমাৰ নাট্য জগত

এইবাৰ কলেজ সপ্তাহৰ নাট্যসমাৰোহত সৰ্ব্বমুঠ দহখন একাঙ্কিকা মঞ্চস্থ কৰা হৈছিল। ইয়াৰে সৰহ সংখ্যক কলেজৰ ছাত্ৰই লিখা। যোৱাবছৰৰ তুলনাত এইবাৰৰ নাটকৰ সংখ্যা তাকৰ আৰু সেইবিলাকৰ মানদণ্ডও যোৱাবাৰৰ অনুপাতত উন্নত নহয়। উদ্যম আৰু আন্তৰিকতাৰ অভাব এইবাৰ বাৰুকৈয়ে অনুভৱ কৰিছো।

একাঙ্কিকা কেইখনৰ বেছিভাগতেই ছাত্ৰলেখকসকলে বৰ্ত্তমান সমাজৰ অৰ্থনৈতিক অনাটন, দুৰ্নীতি, অবিচাৰ, শোষণ আদি সমস্যাৰ স্বৰূপ দাঙি ধৰিবলৈ চেষ্টা কৰিছে। নাটকেইখন চাই, আমাৰ ছাত্ৰসকল যে বৰ্ত্তমান সমাজৰ সমস্যাৰ প্ৰতি যথেষ্ট সচেতন সেইকথা বুজিব পাৰি। কিন্তু এনেধৰণৰ প্ৰতিখন নাটকতে এটি হতাশাৰ সুৰ বাজি আছে; ই তেনেই স্বাভাৱিক। এই অল্পবয়স্ক ছাত্ৰসকলৰ বেছিভাগৰে এটা অন্ধকাৰ ভবিষ্যত আৰু সন্মুখত দেখা দিয়া এশ এটা সমস্যা; এইবিলাকৰ বিৰুদ্ধে থিয় দিবলৈ তেওঁলোকৰ বয়স, জ্ঞান আৰু শক্তি পুৰঠ হোৱা নাই। কিন্তু এই কথা উপলব্ধি হয় যে ছাত্ৰসকলৰ অন্তৰত একুৰা জুই উমি উমি জ্বলি আছে; যি কোনো মুহূৰ্ত্ততে এই জুই আগ্নেয়গিৰিৰ প্ৰচণ্ড ক্ষমতা লৈ জ্বলি উঠিব পাৰে। অৱশ্যে নাটকত নহয়, বাস্তৱত। কিন্তু মোৰ বক্তব্য নাটককলৈহে।

মাইকৰ প্ৰয়োজনাধিক ব্যৱহাৰটো বাদ দিলে, আৰু দুই এঠাইত অলপ পৰিবৰ্ত্তন কৰিব পাৰিলে শ্ৰীপ্ৰদীপ শৰ্ম্মাৰ 'বেসুৰা' এখন ভাল নাট হ'লহেতেন। লেখকে ঘটনাচক্ৰত পৰস্পৰৰ চিন হেৰুৱাই পেলোৱা আপোন মানুহ কেইজনমান চোৰ, চাকৰ, খোৰা বুঢ়া আৰু ব্যৱসায়ী মাণিকবাবুক এটা ষ্টেচনত একেলগ কৰিছে। নাটখনৰ পৰিণতিত মাণিকৰ ঘৰৰ লগুৱা বংমনে চোৰ ডেকাজনৰ ভনীয়েকক মাণিকে বেশ্যা সজোৱা বুলি খবৰ এটা দিছে আৰু এটা টাবিজৰ সহায়ত খোৰাবুঢ়াই ডেকা চোৰটোক নিজৰ পুতেক বুলি চিনিব পাৰে। নাটখনত নাটকীয় কৌতুহল সৃষ্টিৰ সম্ভাবনা আছিল যদিও অভিনেতা আৰু নাট্যকাৰে তাক ভালদৰে পৰিস্ফুট কৰিব পৰা নাই। খোৰা বুঢ়াৰ ভাওত শ্ৰীবসন্ত বৰ্ম্মন আবেগত নিজেই বেছি অভিভূত হোৱা যেন